সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ৪৩ সংখ্যা, ৮ কাতি, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 43 Date of Publication- 26 October 2025 Rs. 10.00/-

## ঈশ্বৰপুত্ৰ জুবিন গাৰ্গঃ মুক্তিৰ পূৰ্বেই অভিলেখ গঢ়িলে জুবিন গাৰ্গৰ অন্তিমখন ছবি 'ৰৈ ৰৈ বিনালে'




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হেঁপাহৰ তথা অন্তিমখন ছবি 'ৰৈ ৰৈ বিনালে' অহা ৩১ অক্টোবৰত চিত্ৰগৃহলৈ আহিব। জুবিন গাৰ্গৰ অন্তিমখন ছবিয়েও মুক্তিৰ পূৰ্বে তোলপাৰ লগাইছে সমগ্ৰ ৰাজ্যতে ।প্ৰিয় শিল্পীগৰাকীক চিত্ৰগৃহৰ পৰ্দাত হ'লেও জীৱন্ত ৰূপত চাবলৈ ব্যাকুল হৈ আছে প্ৰত্যেকে। ট্ৰেইলাৰ মুকলিৰ পাছতে জুবিন গাৰ্গৰ অনুৰাগীসকল আৱেগিক হৈ পৰিছিল ইতিমধ্যে শুক্ৰবাৰৰ পৰা বিগ বাজেটৰ ছবিখনৰ অনলাইন অগ্ৰিম টিকট বুকিং আৰম্ভ হৈছে। ইয়াৰ লগে লগে মুক্তিৰ পূৰ্বেই অভিলেখ গঢ়িলে জুবিন গাৰ্গৰ ড্ৰীম প্ৰজেক্টটোৱে। এঘণ্টাৰ ভিতৰতে 'ৰৈ ৰৈ বিনালে'ৰ প্ৰায় ৫.৫০ লাখ টিকট অগ্ৰিম বুকিং হৈছে। 'ৰৈ ৰৈ বিনালে'ৰ বাবেই ৩১ অক্টোবৰৰ পৰা ৰাজ্যৰ চিত্ৰগৃহত চলিবলগীয়া সকলো হিন্দী চিনেমাৰ প্ৰদৰ্শনী বাতিল কৰা হৈছে। অৰ্থাৎ মুক্তি লাভৰ দিনটোৰ পৰা গুৱাহাটীকে ধৰি অসমৰ চুকে-কোণে থকা চলচ্চিত্ৰগৃহত প্ৰদৰ্শিত হ'ব জুবিন গাৰ্গৰ অন্তিমখন ছবি। বুক মাই শ্ব'ত প্ৰায় ৩ নবেম্বৰলৈ সকলো টিকট বিক্ৰী হোৱাৰ তথ্য পোৱা গৈছে। অগ্ৰিম টিকট বিক্ৰীৰ পিছতে সকলো ছবিগৃহ ইতিমধ্যে হাউছফুল। ইয়াৰ বাবেবুক মাই শ্ব'ৰ শীৰ্ষত চাৰ্ট লিষ্টটো আহিছে অসমীয়া ছবি 'ৰৈ ৰৈ বিনালে'। গুৱাহাটী মহানগৰীৰ চেনণ্ট্ৰেল মলত থকা চিনেপ'লিছত এদিনতে সৰ্বাধিক ১৯টা দৰ্শনী হ'ব ছবিখনৰ। সেইদৰে চিটী চেণ্টাৰত পিভিআৰ আৰু ইনক্স' (আওৱাছ)-এ ১৬টাকৈ, বেলতলাৰ মেট্ৰিক্স চিনেমাই ১২টা, গ্ৰেণ্ড ৰয়েল চিনেছে ১১টা শ্ব' দিছে 'ৰৈ ৰৈ বিনালে'ক। বাকী চিত্ৰগৃহসমূহতো সমগ্ৰ দিনটো চলিব কেৱল জুবিন গাৰ্গৰ হেঁপাহৰ ছবিখন। এইক্ষেত্ৰত অনুৰাধা, গলেৰীয়া, আইদেউ চিনেমা, আৰআৰ চিনেমা, গ'ল্ড চিনেমা, ইনক্স-এনচিএছ স্কোৱেৰ আদিৰ কথা উল্লেখ কৰিব পাৰি। বহুকেইটা চিত্ৰগৃহত ৩১ অক্টোবৰৰ পৰা ২ নৱেম্বৰলৈ হাউছফুল হিচাপে কৰ্তৃপক্ষই ঘোষণা কৰিবলগীয়া হৈছে। অসমীয়া ছবিৰ ইতিহাসত প্ৰথমবাৰৰ বাবে পুৱা ৬ বজাৰ পৰা ছবি প্ৰদৰ্শন (দহ পৃষ্ঠাত চাওক)

## আৰক্ষীৰে হোৱা সংঘৰ্ষত কোকৰাঝাৰৰ ৰে'লপথ বিস্ফোৰণৰ মাষ্টাৰমাইণ্ড নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- কোকৰাঝাৰত আৰক্ষীৰ অভিযানত কোকৰাঝাৰৰ ৰে'লপথ বিস্ফোৰণৰ মাষ্টাৰমাইণ্ড নিহত। কোকৰাঝাৰ জিলাৰ ছালাকাটি আৰক্ষী চকীৰ অন্তৰ্গত নাদাংগিৰি পাহাৰত অসম আৰক্ষীৰে হোৱা এক সংঘৰ্ষত থিতাতে নিহত হয় নেচনেল চাওতাল লিবাৰেচন আৰ্মী চমুকৈ নাছলাৰ সেনাধ্যক্ষ ইপিল মুৰ্মু ওৰফে ৰোহিত মূৰ্মু। ইপিল ( দুই পৃষ্ঠাত চাওক)

## অন্তিমখন এদিনীয়াত ৯ উইকেটত জয় ভাৰত




ৰঙিলী বাৰ্ত্তাসেৱা- ৰোহিত শৰ্মা আৰু বিৰাট কোহলিৰ মাজত দ্বিতীয় উইকেটৰ যুটীত ছিডনীত বৃহৎ জয়ৰ সোৱাদ লাভ কৰিলে ভাৰতে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ছিডনীত অনুষ্ঠিত শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচত ভাৰতে অষ্ট্ৰেলিয়াক ৯ উইকেটত পৰাস্ত কৰে ।এদিনীয়া ক্ৰিকেটত অধিনায়ক হিচাপে প্ৰথমটো জয় লাভকৰে শুভমন গিলে। অৱশ্যে মেচখনত পৰাস্ত হ'লেও কেংগাৰু বাহিনীয়ে শৃংখলাটো ২-১ৰ ব্যৱধানত দখল কৰে। কেংগাৰু বাহিনীয়ে জয়ৰ বাবে বান্ধি দিয়া ২৩৭ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অপেনাৰ ৰোহিত শৰ্মাৰ বিস্ফোৰক অপৰাজিত শতক আৰু তাৰকা বেটাৰ ( দুই পৃষ্ঠাত চাওক)

## চম্বল চলচ্চিত্ৰ মহোৎসৱত অনচুনী চিখেঁৰ বাবে ড° পাৰ্থসাৰথি মহন্তক শ্ৰেষ্ঠ পৰিচালকৰ সন্মান




ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ ৰাষ্ট্ৰীয় পৰ্যায়ত লেখক, কবি, সাহিত্যিক, পৰিচালক আই পি এছ বিষয়া ড° পাৰ্থসাৰথি মহন্তৰ 'অনচুনী চিখেঁ' চুটি ছবিখনে খ্যাতি অৰ্জন কৰিছে। গোৱালিয়ৰত অনুষ্ঠিত ষষ্ঠদশ চম্বল আন্তৰ্জাতিক চলচিচত্ৰ মহোৎসৱ, ২০২৫ ত 'অনচুনী চিখেঁ' চুটি ছবিখনৰ বাবে ড° (দহ পৃষ্ঠাত চাওক)

## বিহালীত নিৰীহ যুৱকক আৰক্ষীৰ আক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- সম্প্ৰতি বিশ্বনাথ জিলাৰ বিহালীৰ সামাজিক মাধ্যমত ভাইৰেল ভিডিঅ'ই ৰাজ্যজুৰি তীব্ৰ জোকাৰণি সৃষ্টি কৰিছে। ভাইৰেল ভিডিঅ'টোত দেখা গৈছে জনহিতৰ্থে আৰু জনসেৱাৰ্থে উৎসৰ্গিত অসম আৰক্ষীৰ দানৱীয় ৰূপ। খবৰ অনুসৰি, বিশ্বনাথ জিলাৰ বিহালী সম-জিলাৰ অধীনৰ কেটলা খেলপথাৰত অনুষ্ঠিত কালী পূজা মেলাত একাংশ যুৱকৰ মাজত হাই-কাজিয়াৰ সৃষ্টিৰ পিছত এজন সাধাৰণ যুৱকৰ ওপৰত কৰ্তব্যৰত অসম আৰক্ষীয়ে দানৱৰ দৰে জঁপিয়াই উপৰ্য্যুপৰি আক্ৰমণ চলায়। ভাইৰেল ভিডিঅ'টোত নাগৰিকৰ জীৱন-সম্পত্তিৰ (দহ পৃষ্ঠাত চাওক)

# অষ্ট্ৰেলিয়াৰ মহিলা দলৰ ২গৰাকী ক্ৰিকেটাৰক ইন্দোৰত নিৰ্যাতন





ৰঙিলী বাৰ্তাসেৱা- ইন্দোৰত অষ্ট্ৰেলিয়াৰ মহিলা দলটোৰ দুগৰাকী ক্ৰিকেটাৰক নিৰ্যাতন চলোৱাৰ ঘটনা সংঘটিত হৈছে। ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীক এজাহাৰ দাখিল কৰা হয় আৰু ইন্দোৰ আৰক্ষীয়ে এই ঘটনাৰ লগত জড়িত এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে । দক্ষিণ আফ্ৰিকাৰ বিপক্ষে খেলাৰ উদ্দেশ্যে ইন্দোৰত উপস্থিত হৈছিল অষ্ট্ৰেলিয়ান দলটো। জানিব পৰা মতে অষ্ট্ৰেলিয়া দলটোৰ দুগৰাকী মহিলা ক্ৰিকেটাৰে নিজৰ হোটেলৰ পৰা ওচৰৰ কেফে লৈ খোজকাঢ়ি গৈ আছিল। সেই সময়ত এজন যুৱকে বাইকত আহি ক্ৰিকেটাৰ দুগৰাকীক নিৰ্যাতন চলাইছিল বুলি অভিযোগ উঠিছে। ঘটনা সংঘটিত হোৱাৰ পিছতে অষ্ট্ৰেলিয়াৰ দলটোৰ নিৰাপত্তাৰ দায়িত্ব থকা ডেনি ছিমনেছ উক্ত স্থানত উপস্থিত হয় আৰু এম আই জি থানাত অভিযোগ কৰে। আৰক্ষীয়ে জনোৱা মতে খজৰান ৰোড এলেকাত সংঘটিত হৈছে এই ঘটনাটো। তথ্য লাভ কৰাৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে আৰু আকিল নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। ইপিনে এই ঘটনাৰ পিছতেই বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে মহিলা বিশ্বকাপত ভাগ লোৱা দুগৰাকী অষ্ট্ৰেলিয়ান খেলুৱৈৰ সৈতে সংঘটিত ঘটনাটো দুৰ্ভাগ্যজনক। ঘটনাটোৰ সন্দৰ্ভত অসন্তুষ্টি ব্যক্ত কৰি ব'ৰ্ডৰ সচিবগৰাকীয়ে কয় যে এনেধৰণৰ ঘটনাই খ্যাতি বিনষ্ট কৰে। দোষীক কৰায়ত্ত কৰাৰ বাবে ৰাজ্যিক আৰক্ষীৰ দ্ৰুত ব্যৱস্থাপনাক প্ৰশংসা কৰিছে।

# অন্তিমখন এদিনীয়াত ৯

বিৰাট কোহলিৰ দৰ্শনীয় অপৰাজিত অৰ্ধশতকৰ সহায়ত ভাৰতে ৩৮.৩ অভাৰত ১টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। এদিনীয়া ক্ৰিকেটত কেৰিয়াৰৰ ৩৩সংখ্যক শতক অৰ্জন কৰা ৰোহিত শৰ্মাই ৰচৰ ৰান কৰি অপৰাজিত হৈ থাকে। বিস্ফোৰক অপেনাৰগৰাকীৰ ১২৫টা বলৰ ইনিংছত আছিল ১৩টা চাৰি আৰু ৩টা ছয়। দলীয় স্ক'ৰ ৬৯ ৰানত অধিনায়ক গিলৰ ৰূপত ভাৰতে প্ৰথমটো উইকেট হেৰুৱায়। গিলে ২৪ ৰানৰ অৰিহণা আগবঢ়ায়। অৱশ্যে ৰোহিত শৰ্মাই বিৰাট কোহলিৰ সৈতে লগ লাগি দ্বিতীয় উইকেটত অপৰাজিতভাৱে ১৬৮ ৰান সংগ্ৰহ কৰি দলক জয়ৰ সোৱাদ দিয়ে। শৃংখলাৰ প্ৰথম দুয়োখন মেচতে কোনো ৰান নকৰাকৈ বিদায় লোৱা কোহলিয়ে ৭৪ ৰান কৰি নট আউট হৈ থাকে। তাৰকা বেটাৰগৰাকীয়ে ৮১টা বলৰ ইনিংছটোত আছিল ৭টা বাউণ্ডেৰী। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি মেট ৰেনশ্বৰ সৰ্বাধিক ৫৬ ৰানৰ সহায়ত অষ্ট্ৰেলিয়াই ৪৬.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৩৬ ৰান সংগ্ৰহ কৰে। অপেনাৰ তথা অধিনায়ক মিচেল মাৰ্শ্বে ৪১, মেথিউ শ্বৰ্টে ৩০, ট্ৰেভিছ হেডে ২৯ আৰু এলেক্স কেৰীয়ে ২৪ ৰানৰ অৰিহণা আগবঢ়ায়। ভাৰতীয় দলটোৰ হৈ হৰ্ষিত ৰানাই সৰ্বাধিক ৪টা উইকেট লাভ কৰাৰ লগতে ৱাশ্বিংটন সুন্দৰে ২টা, মহম্মদ চিৰাজ, প্ৰসিদ্ধ কৃষ্ণ, কুলদীপ যাদৱ আৰু অক্ষৰ পেটেলে ১টাকৈ উইকেট লাভ কৰে। মেচখনৰ লগতে শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় টীম ইণ্ডিয়াৰ অপেনাৰ ৰোহিত শৰ্মা।


# আৰক্ষীৰে হোৱা সংঘৰ্ষত

মুৰ্মু ওৰফে ৰোহিত মুৰ্মুক কোকৰাঝাৰ শিঙিমাৰী ৰে'লপথত বোমা বিস্ফোৰণৰ সৈতে জড়িত বুলি সন্দেহ কৰা হৈছিল। নিহত ইপিল মুৰ্মু মাওবাদীৰে সুসম্পৰ্ক ৰক্ষা কৰি চলিছিল বুলি আৰক্ষীয়ে সদৰী কৰিছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা পিষ্টল, এটা মেগজিন, এটা গ্ৰেনেড, ভোটাৰ আইডি, আধাৰকাৰ্ড, কম্বল আৰু আন কিছুমান আপত্তিজনক সামগ্ৰী জব্দ কৰিছে। লক্ষণীয় যে আৰক্ষীৰ গুলীত নিহত হোৱা নেচনেল চাওতাল লিবাৰেচন আৰ্মী চমুকৈ নাছলাৰ সেনাধ্যক্ষ ইপিল মুৰ্মু ওৰফে ৰোহিত মুৰ্ম অসম আৰু ঝাৰখণ্ড উভয় ৰাজ্যৰ বাসিন্দা আছিল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যোৱা ২৩ অক্টোবৰৰ মাজনিশা কোকৰাঝাৰ শিঙিমাৰীৰ ৰে'লপথত এক আইইডি বিস্ফোৰণ সংঘটিত হৈছিল। সৌভাগ্যক্ৰমে উক্ত বিস্ফোৰণত কোনো লোক হতাহত হোৱা নাছিল যদিও ৰে'লপথ ছিঙি টুকুৰা-টুকুৰ হোৱাৰ লগতে বিদ্যুৎ পৰিবাহী লাইনপৰ্যন্ত ছিঙি গৈছিল। কোকৰাঝাৰ আৰক্ষীয়ে ঘটনাৰ পিছৰ পৰাই জোৰদাৰ তদন্ত আৰম্ভ কৰে। কুটাঘাতকাৰীৰ দল এটাই পুনৰ কুটাঘাতৰ উদ্দেশ্যে নাদাংগিৰি পাহাৰত বাহৰ পতা বুলি আৰক্ষীয়ে তথ্য লাভ কৰাৰ পাছতে অভিযান আৰম্ভ কৰে। উগ্ৰবাদীৰ সন্ধানত নাদাংগিৰি পাহাৰত চলা আৰক্ষীৰ অভিযানতে কোকৰাঝাৰৰ ৰে'লপথত বোমা বিস্ফোৰণৰ স'তে জড়িত ৪০ বছৰীয়া ইপিল মুৰ্মু ওৰফে ৰোহিত মুৰ্মু আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত ইপিল মুৰ্মুক কোকৰাঝাৰ আৰএনবি চিকিৎসালয়ত লৈ অহা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইপিনে এনকাউণ্টাৰৰ পিছতে কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এক সংবাদ মেল সম্বোধন কৰে কোকৰাঝাৰ আৰক্ষীয়ে। অতিৰিক্ত আৰক্ষী অধীক্ষক নৱনীতা শৰ্মাৰ উপস্থিতিত সংবাদ মেলত আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙে কয় যে এক বিশেষ সূত্ৰ অনুসৰি নাদাংগিৰি পাহাৰত এটা কুটাঘাতকাৰীৰ কুটাঘাতৰ বাবে বাহৰ পতাৰ তথ্য লাভ কৰি কালি নিশাই অতিৰিক্ত আৰক্ষী অধীক্ষক, মহকুমা আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষক সমন্বিতে আৰক্ষীৰ এটা দল নাদাংগিৰি পাহাৰত উপস্থিত হয়। পুৱা আৰক্ষীৰ দলটোৱে পাহাৰত অভিযান আৰম্ভ কৰোঁতেই বিপৰীত পক্ষৰ পৰা আৰক্ষীলৈ বুলি গুলীচালনা আৰম্ভ কৰে। আৰক্ষীয়েও প্ৰত্যুত্তৰত গুলীচালনা কৰাত কুটাঘাতকাৰীৰ দলটো ছত্ৰভংগ দিয়ে। পিছত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এজন গুলীবিদ্ধ যুৱকক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা উদ্ধাৰ হোৱা আধাৰ কাৰ্ড, ভোটাৰ কাৰ্ডৰ দ্বাৰা গুলীবিদ্ধ যুৱকজনক নাছলাৰ নেতা ইপিল মুৰ্মু ওৰফে ৰোহিত মুৰ্মু বুলি চিনাক্ত কৰে। সংবাদ মেলত আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙে সদৰী কৰা মতে নিহত ইপিল মুৰ্মু ওৰফে ৰোহিত মুৰ্মু ইয়াৰ পূৰ্বে ঝাৰখণ্ডতো বোমা বিস্ফোৰণৰ স'তে জড়িত আছিল। যোৱা বছৰৰ অক্টোবৰ মাহত ঝাৰখণ্ডৰ চাহেবগঞ্জ ৰে'লপথত বোমা বিস্ফোৰণ কৰি ইপিল মুৰ্মু অসমলৈ পলাই আহিছিল। তেওঁক বিচাৰি ঝাৰখণ্ডৰ আৰক্ষী অসমলৈ আহিছিল বুলি সদৰী কৰে আৰক্ষী অধীক্ষক গৰাকীয়ে। অলপতে অসমলৈ আহিছিল বুলি উল্লেখ কৰে আৰক্ষী অধীক্ষক গৰাকীয়ে। তদুপৰি পূৰ্বতে ইপিল মুৰ্মুৱে নাছলা নামৰ উগ্ৰবাদী সংগঠনৰ সদস্য আছিল যদিও নাছলাই আত্মসমৰ্পণ কৰাত তেওঁ আত্মসমৰ্পণ নকৰি ঝাৰখণ্ডলৈ পলাই গৈছিল আৰু তাতে নাছলা গোট খুলি কমাণ্ডাৰ হৈছিল। ইয়াৰ পিছতে তেওঁ মাওবাদীৰে সম্পৰ্ক গঢ়ি তুলিছিল আৰু কুটাঘাতমূলক কাৰ্যত জড়িত হৈ পৰে। ঝাৰখণ্ডৰ পৰা অসমত আহি পুনৰ কুটাঘাতমূলক কাৰ্যত জড়িত হৈ পৰে। আৰক্ষীয়ে ইপিল মুৰ্মু ওৰফে ৰোহিত মুৰ্মৰ স'তে আন কেইবাজনো সদস্য থকাৰ সম্ভেদ লাভ কৰিছে আৰু তেওঁলোকক কৰায়ত্ত কৰাৰ বাবে নাদাংগিৰি পাহাৰত অভিযান অব্যাহত ৰাখিছে।

সম্পাদকীয় শিতান...

# অপেক্ষা








**দেৱাশীষ গোস্বামী, নগাঁও**

অপেক্ষাৰ সমাপ্তি হয়তো আশাপূৰ্ণ বা আশাহত। ফলাফলৰ আগৰ সময়কণ খুবেই উত্তেজনাময়। মূল কথা হল- অপেক্ষা কিহৰ? কাৰোবাৰ আগমনৰ? পৰীক্ষাৰ ৰিজাল্টৰ? আকাংক্ষিত কিবা এটাৰ পোৱাৰ, উপভোগ কৰাৰ? আমি সকলোৱেই কামনা কৰো অপেক্ষাৰ সমাপ্তি আশাপূৰ্ণত। লাগিলে সেই আশা 'Legal' য়েই হওঁক বা 'Illegal' য়েই হওঁক। অপেক্ষাৰ প্ৰাপ্তিৰ পূৰ্ণতাতহে মাদকতা। কেতিয়াবা অপেক্ষাৰ ফলাফল না আৰ না পাৰ। মাজতে ওলমি থকাও দেখা যায়। এই যেনে ধৰক পৰীক্ষাৰ 'Result'- Withheld. ট্ৰেইনৰ 'Ticket Reservation'- Waiting. তুমুল প্ৰতিদ্বন্দ্বিতা মূলক এখন শ্বাসৰুদ্ধকাৰী খেল, ফলাফল- Draw ইত্যাদি ইত্যাদি। আমাৰ দৈনন্দীন কৰ্মৰাজীৰ ওপৰতে আমাৰ অপেক্ষাৰ সফল সমাপ্তি নিৰ্ভৰ কৰে। ভাল কৰ্মৰ ভাল ফল বা সমাপ্তি, বেয়া কৰ্মৰ বেয়া ফল বা বেয়া সমাপ্তি। প্ৰকাৰ ভেদে অপেক্ষাৰ ফলাফল হ্ৰস্ব কালীন বা দীৰ্ঘকালীন, উদাহৰণস্বৰূপে আমাৰ 'Performance' অৰ ওপৰত ভিত্তি কৰি যি কোনো খেলৰ ফলাফললৈ বহুত বেছি দীঘলীয়া অপেক্ষা কৰিব লগীয়া নহয়। শাৰীৰিক অসুস্থতাৰ বাবে 'Laboratory'ত কৰা 'Test' সমূহৰো ফলাফলৰ অপেক্ষা প্ৰশ্নকালীন। যিকোনো ধৰণৰ 'Inter-view' ৰ ফলাফলৰ অপেক্ষাৰত সময়ো বৰ বেছি দীঘলীয়া নহয়। আনহাতে আমি বছৰটোত গ্ৰহণ কৰা শিক্ষাৰ পাৰদৰ্শিতা নিৰ্ভৰ কৰে বছৰটোৰ শেষত কেইখিলামান বগা কাগজত লিপিবদ্ধ কৰা 'Sum-mary'ৰ মূল্যাংকনৰ ওপৰত।

দীৰ্ঘকালীন অপেক্ষাৰ ফলাফলৰ এক উৎকৃষ্ট উদাহৰণ হিচাপে আমি ৰাজনীতিৰ পথাৰ খনক ধৰিব পাৰো। ৰাজনৈতিক নেতা সকল অৰ্থাৎ আমাৰ সমাজৰ সেৱক সকলে আগবঢ়োৱা 'Performance' অৰ অপেক্ষাৰত ফলাফল কিছু দীৰ্ঘকালীন মানে ৫ বছৰীয়া। এই দীৰ্ঘকালীন অপেক্ষাৰ সমাপ্তিত যদি আমিবোৰ আশাহত হওঁ, তেনেহ'লে কিছুসংখ্যকক বাদ দি গৰিষ্ঠ সংখ্যকেই যথেষ্ট পিছ পৰি যাবলগীয়া হয়। ফলত নিজৰ লগতে সমাজখনৰ তথা দেশখনৰ উন্নয়ন স্থবিৰ হৈ পৰে।

দীৰ্ঘকালীন অপেক্ষাৰ ফলাফলৰ আন এক পুতৌ জনক উদাহৰণ আমাৰ ন্যায় ব্যৱস্থা। ভুক্তভোগীয়ে ন্যায় পায় পায় মানে কেতিয়াবাতো হাড়ত বন গজে, কেতিয়াবা পুনৰ জনমলৈ 'Judge' অৰ চকীত বহি নিজৰেই ৰায়দান নিজেই কৰে। দীঘলীয়া ন্যায় ব্যৱস্থাত এনে কাণ্ড একো অসম্ভৱ নহয় দিয়কচোন।

অধীৰ আগ্ৰহেৰে অপেক্ষাৰত ফলাফলত বহু সময়ত বহু ক্ষেত্ৰত নানা ৰঙী 'মহাত্মা গান্ধী'য়ে যথেষ্ট আহুকালৰ সৃষ্টি কৰে। তেৰাৰ কৃপাত অপেক্ষাৰত ইপ্সিত ফলাফলে ওলোটা ৰূপ গ্ৰহণ কৰাও দেখা যায়। বিবেক বিক্ৰী কৰি কেৱল নিজৰ বাবে জীৱন জীয়াব খোজা সকলৰ পকেটৰ পৰা ওলাই অহা নানা ৰঙী 'মহাত্মা গান্ধী'য়ে অপেক্ষাৰ সমাপ্তিত অভাৱনীয় ভূমিকা পালন কৰে। পিছে নানাৰঙী 'মহাত্মা গান্ধী'ৰ জোৰ নথকা সকলৰ একা?

কপালত ধিয়াই অপেক্ষাৰ আশাপূৰ্ণ সমাপ্তিলৈ বাট চোৱাৰ বাহিৰে আন উপায়........

# এৰিয়ান '৮৬ৰ আন্তঃবিদ্যালয় তৰ্ক প্ৰতিযোগিতা সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- এৰিয়ান '৮৬ৰ উদ্যোগত আৰু আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ সহযোগত মাতৃভাষা মাধ্যমৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়সমূহৰ মাজত তৃতীয় বাৰ্ষিক সদৌ গুৱাহাটী আন্তঃবিদ্যালয় তৰ্কপ্ৰতিযোগিতাখনি সম্পন্ন হয়। এৰিয়ান '৮৬ৰ সভাপতি সত্যব্ৰত দেৱ মিশ্ৰৰ আদৰণী ভাষণেৰে বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আৰম্ভ হোৱা সভাখনত বিদ্যামলয়খনৰ অধ্যক্ষ ছামছুদ্দিন আহমেদে গিৰিধৰ শৰ্মাৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিদ্যালয়ৰে প্ৰাক্তন শিক্ষয়িত্ৰী স্বপ্নাৰাণী দাস তালুকদাৰে শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়। আদৰণী ভাষণত এৰিয়ান '৮৬ৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা ব্যক্ত কৰি সত্যব্ৰত দেৱ মিশ্ৰই প্ৰতি বছৰে এনেধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। অনুষ্ঠানটোৰ আঁতধৰি উদ্যোক্তা সমিতিৰ সাধাৰণ সম্পাদক অনিল দাসে কয় যে এনে অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ লগতে বৌদ্ধিক বিকাশৰ বাটো মুকলি কৰে। প্ৰায় ১০খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সদনৰ সপক্ষে আৰু বিপক্ষে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন সঞ্চালনা কৰে দৈনিক অসম কাকতৰ প্ৰাক্তন সম্পাদক দিলীপ চন্দনে। বিচাৰকৰ আসন শুৱনি কৰে তাৰ্কিকদ্বয় অৰ্ণৱজ্যোতি তালুকদাৰ আৰু পলাশ গগৈয়ে। তৰ্ক প্ৰতিযোগিতাখনত প্ৰথম, দ্বিতীয় আৰু (দহ পৃষ্ঠাত চাওক)

# এছআইটিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাৰ সংবাদমেল



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ এমাহৰ পিছত তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ এছ আই টিৰ দুজনীয়া দলটো বৃহস্পতিবাৰে উভতি আহে। ছিংগাপুৰৰ পৰা অহাৰ পিছতে এছ আই টিৰ মুৰব্বী তথা অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই শুকুৰবাৰে গুৱাহাটীৰ চি আই ডিৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰে। সংবাদ মেলত ছিংগাপুৰত হোৱা আলোচনা সন্দৰ্ভত সাংবাদিকক অৱগত কৰে। ২০ অক্টোবৰত ছিংগাপুৰলৈ ৰাওনা হোৱা এছআইটিৰ দলটোৱে ভাৰতীয় উচ্চায়ুক্তৰ লগত শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুক লৈ এক বৈঠকত মিলিত হোৱাৰ পাছতে ছিংগাপুৰ পুলিচ ফ'ৰ্চৰ সৈতেও এই সন্দৰ্ভত বিভিন্ন বিষয় আলোচনা কৰে। গুপ্তাই কয় যে যোৱা ২১ অক্টোবৰত এছপিএফৰ ৫জনীয়া উচ্চ পৰ্যায়ৰ এটা দলৰ সৈতে আমি বৈঠকত মিলিত হৈছিলোঁ। তদন্তৰ বিভিন্ন তথ্য তেওঁলোকে আমাৰ সৈতে বিনিময় কৰিছিল। উক্ত বৈঠকখন যথেষ্ট সফল হৈছিল বুলি মন্তব্য কৰি তদন্তৰ বাবে প্ৰয়োজনীয় বিভিন্ন গুৰুত্বপূৰ্ণ তথ্য এছআইটিয়ে লাভ কৰিবলৈ সক্ষম হৈছে বুলি তেওঁ কয়। বৈঠকখনৰ বিষয়ে বিস্তৃতভাৱে বিৱৰি তেওঁ কয় যে আমি এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰি প্ৰতিবেদন সময়ত দিব লাগিব বুলি তেওঁলোকক জনাইছোঁ। আমাৰ উত্তৰত তেওঁলোকে ইতিবাচক সঁহাৰি দিছে। উল্লেখ্য যে ছিংগাপুৰ ভ্ৰমণৰ সময়ছোৱাত প্ৰিয় শিল্পীগৰাকীৰ অন্তিম নিশ্বাস ত্যাগ কৰা ঘটনাস্থলীও পৰিদৰ্শন কৰে বুলি সদৰী কৰে এছআইটিৰ মুৰব্বী গুপ্তাই। অৱশ্যে ইয়াৰ মাজতে হোটেলৰ চিচি টিভি ফুটেজ তথা আন তথ্যসমূহ (দহ পৃষ্ঠাত চাওক)

# শিলচৰত ছুপাৰ স্পেচিয়েলিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰীয়ে

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ২০৮খন বিছনাযুক্ত নতুন ছুপাৰ স্পেচিয়েলিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। প্ৰকল্পটোৰ আন্তঃগাঁথনি নিৰ্মাণৰ আৰু বিভিন্ন মেডিকেল সামগ্ৰী ক্ৰয়ৰ বাবে ধাৰ্য কৰা পুঁজিকে ধৰি প্ৰকল্পটোৰ বাবে ব্যয় হ'বলগীয়া মুঠ পুঁজিৰ পৰিমাণ হৈছে প্ৰায় ৩০০ কোটি টকা। উল্লেখ্য যে 'জাইকা'ৰ আৰ্থিক সহযোগিতাৰে ১৬ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া চিকিৎসালয়খনত কাৰ্ডিঅ'লজী, কাৰ্ডিঅ'থৰেচিক ছাৰ্জাৰী, নিউৰ'লজী, নিউৰ'-ছাৰ্জাৰী, নেফ্ৰ'লজী আৰু ইউৰ'লজী বিভাগকে ধৰি ৬টা ক্লিনিকেল বিভাগ থাকিব। এই চিকিৎসালয়খনৰ নিৰ্মাণ ৩০ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য লোৱা হৈছে। হাস্পতালখনত কাৰ্ডিঅ'লজী, কাৰ্ডিঅ'থৰেচিক-ছাৰ্জাৰী, নিউৰ'লজী, নিউৰ'-ছাৰ্জাৰী, নেফ্ৰ'লজী আৰু ইউৰ'লজীৰ প্ৰতিটো বিভাগৰ বাবে ২০খনকৈ বিছনা, ১৪খন ইমাৰজেঞ্চী বিছনা, ২৭খন আইচিইউ বা আইচিচিইউ বিছনা, প'ষ্ট অ'পাৰেটিভ কেয়াৰৰ বাবে ৮খন, প্ৰি-অ'পাৰেটিভ কেয়াৰৰ বাবে ৪খন আৰু ডায়েলাইছিছৰ বাবে ১০খন বিছনা থাকিব। তদুপৰি চিকিৎসালয়খনত ২৫টা পেয়িং কেবিন থাকিব। এই উপলক্ষে প্ৰদান কৰা ভাষণত সম্প্ৰতি ৰাজ্যত ১৪খন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালে ৰোগীলৈ সেৱা আগবঢ়াই থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা বছৰ বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়




আৰু হাস্পতালৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০০৬ চনত তেওঁ অসমৰ স্বাস্থ্যমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ সময়ত ৰাজ্যত এমবিবিএছ পাঠ্যক্ৰমৰ আসনৰ সংখ্যা আছিল ৩৬০খন আৰু চিকিৎসা বি:নৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আসনৰ সংখ্যা আছিল ১৫০খন। এতিয়া আসনৰ এই সংখ্যা ক্ৰমে ২ হাজাৰ আৰু ১৫০০ খনলৈ বৃদ্ধি পাইছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড°শৰ্মাই কয় যে ৰাজ্যৰ চিকিৎসা শিক্ষা খণ্ডলৈ সম্প্ৰতি অভাৱনীয় পৰিৱৰ্তন আহিছে। আসনৰ সংখ্যা বৃদ্ধিৰ ফলত চিকিৎসা বিজ্ঞানৰ প্ৰতি আগ্ৰহী ৰাজ্যৰ শিক্ষাৰ্থীসকলে নামভৰ্তিৰ বাবে ৰাজ্যৰ বাহিৰলৈ যোৱাৰ প্ৰয়োজনীয়তা নোহোৱা হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে চিকিৎসা সেৱা প্ৰদানৰ দিশতো ৰাজ্যখনে দেশৰ ভিতৰতে উল্লেখনীয় স্থান লাভ কৰি বলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰসূতিৰ মৃত্যুৰ হাৰ, নৱজাতকৰ মৃত্যুৰ হাৰ ৰাজ্যত দ্ৰুতভাৱে হ্ৰাস পোৱাৰ কথাও ভাষণত উল্লেখ কৰে। তেওঁ কয় যে অহা দহ বছৰত ৰাজ্যৰ চিকিৎসা শিক্ষা খণ্ডই গুণমান বৃদ্ধিত গুৰুত্ব দিব লাগিব। ৰাজ্যৰ পুৰণি তিনিখন (দহ পৃষ্ঠাত চাওক)

# লণ্ডনত যুক্তৰাজ্য শাখা সাহিত্য সভাৰ উদ্যোগত জগদগুৰু শংকৰদেৱৰ ৫৭৭তম জন্ম জয়ন্তী



ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাহিত্য সভাৰ বিদেশত থকা অন্যতম শাখা যুক্তৰাজ্য শাখাৰ উদ্যোগত জগদগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৭ সংখ্যক জন্ম জয়ন্তী পালন কৰা হয়। লণ্ডনৰ কিংছ লেঙ্গলীত অতি আধ্যাত্মিকতাৰে অনুষ্ঠিত হোৱা গুৰুজনাৰ জন্ম জয়ন্তী অনুষ্ঠানত যুক্তৰাজ্য শাখাৰ সভাপতি গীতা বৰুৱাই মুকলি সভাৰ উদ্দেশ্য বাখ্যা কৰে। উপসভাপতি নিৰলা বৰুৱাই অসমৰ সমাজত গুৰুজনাৰ অৱদান নামঘৰৰ প্ৰভাৱ আৰু গুৰুত্বৰ বিষয়ে চমুকৈ বাখ্যা কৰে। গুৰুৰ আসনৰ আগত নাম ধৰা নামতী বিশিষ্ট লেখিকা মঞ্জীৰা চৌধুৰী, লাহৰী বৰঠাকুৰ, গীতা বৰুৱা, ভবানী কাকতী, কুইন শইকীয়াই নাম পৰিৱেশন কৰে বৰতাল, নেগেৰা, খোলৰ ধ্বনীয়ে বিদেশৰ আকাশ-বতাহ মুখৰিত কৰি তোলে। অসমৰ বিখ্যাত কলা শিল্পী ৰূপম বৰঠাকুৰে চিত্ৰাঙ্কনৰ কৰ্মশালা আৰম্ভ কৰে। কৰ্মশালাত সকলো বয়সৰ অতিথিয়ে অংশ গ্ৰহণ কৰি সাফল্যমণ্ডিত কৰি তোলে। সভাৰ সম্পাদিকা জাহ্নৱী গগৈয়ে গুৰুজনাই বাৰ বছৰ বয়সতে লিখা প্ৰথম কবিতা 'কৰতল কমল' কবিতাটোৰ ৰচনাৰ কৌশল আৰু তাৎপৰ্য বিষয়ে ভাষণ দিয়ে। সভাৰ মুখ্য অতিথি বিশিষ্ট লেখক, চিন্তাবিদ ময়ুৰ বৰা, আৰু পত্নী ৰঞ্জিতা বৰাও উপস্থিত (নপৃষ্ঠাত চাওক)

# অন্ধ্ৰপ্ৰদেশত চলন্ত বাছত ভয়ংকৰ অগ্নিকাণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে পুৱতি নিশা অন্ধ্ৰপ্ৰদেশত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত ২৫জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫জন লোকক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আৰক্ষী সূত্ৰ অনুসৰি শুকুৰবাৰে পুৱতি নিশা এখনবিলাসী বাছ প্ৰায় ৪০ গৰাকী যাত্ৰী লৈ হায়দৰাবাদৰ পৰা বেংগালুৰু অভিমুখে ৰাওনা হয়। পুৱা কুৰ্নুল জিলাৰ চিন্নেটেপুৰ গাঁৱৰ সমীপৰ বেংগালুৰু- (নপৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি ৰাজ্যজুৰি আছুৰ ন্যায় সমদল




ৰঙিলী বাৰ্তাসেৱা- অসমীয়াৰ আৱেগ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ক্ষিপ্ৰ তদন্ত বিচাৰি ৰাজ্যজুৰি ন্যায় সমদলেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিলে সদৌ অসম ছাত্ৰ সন্থাই। ৰাজ্যৰ প্ৰতিখন জিলা সদৰ স্থানত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী তথা ৰাইজে শান্তি-পূৰ্ণভাৱে ন্যায় সমদলত অংশ-গ্ৰহণ কৰি প্ৰাণৰ শিল্পীগৰাকীক ন্যায় প্ৰদানৰ দাবী জনায়। গুৱাহাটী মহানগৰীতো সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত দুই সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে উজান বজাৰৰ শ্বহীদ ন্যাস ভৱনৰ পৰা ন্যায় সমদল উলিয়ায়। প্ৰতিবাদী কাৰ্যসূচীটোত অংশ লৈ আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই কয় যে আমাৰ লক্ষ্য স্পষ্ট। জুবিন গাৰ্গে ন্যায় পাবই লাগিব। ন্যায় (নপৃষ্ঠাত চাওক)

# কোকৰাঝাৰৰ ৰে'লপথত ভয়ংকৰ আইইডি বিস্ফোৰণ


ৰঙিলী বাৰ্তাসেৱা- কোকৰাঝাৰত বুধবাৰে নিশা সংঘটিত হয় এক ভয়ংকৰ আই ই ডি বিস্ফোৰণ। কোকৰাঝাৰ জিলাৰ ছালাকাটি আৰু কোকৰাঝাৰ ৰে'ল ষ্টেচনৰ মাজৰ শিঙিমাৰী নামৰ ঠাইৰ ৰে'লপথত বুধবাৰে নিশা প্ৰায় ১ বজাত প্ৰচণ্ডশব্দৰে সংস্থাপিত কৰা আইইডি বোমা বিস্ফোৰিত হয়। উচ্চ প্ৰাবল্যৰ আইইডি বোমা বিস্ফোৰণে অঞ্চলটো কঁপাই তোলাত এক হুৱাদুৱা পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে আতংকময় পৰিৱেশৰ সৃষ্টি হয়। প্ৰচণ্ড শব্দৰে বিস্ফোৰিত



বোমা বিস্ফোৰণটো ইমানেই ভয়াবহ আছিল যে বিস্ফোৰণৰ ফলত ৰে'লৰে ট্ৰেকৰ প্ৰায় ২ ফুট এটা অংশ ছিঙি উফৰি যায়। তদুপৰি বিস্ফোৰণৰ ফলত দাঁতি-কাষৰীয়া অঞ্চলত ভূমিকম্পৰ দৰে কঁপনি উঠে। তদুপৰি বৈদ্যুতিক পৰিবাহী তাঁৰো ছিঙি যায়। অৱশ্যে দুৰ্ঘটনাটোত কোনো (নপৃষ্ঠাত চাওক)

# সিদ্ধাৰ্থ শৰ্মাৰ ঘনিষ্ঠ যুৱতীক এছআইটিৰ জেৰা

ৰঙিলী বাৰ্তাসেৱা- জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত অব্যাহত ৰাখি এছআইটিৰ দলে ইজনৰ পিছত সিজনকৈ জুবিন গাৰ্গৰ ঘনিষ্ঠ লোকৰ লগতে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ সহযোগীসকলকো উলুবাৰীৰ চিআইডিৰ কাৰ্যালয়লৈ তলব কৰি সাক্ষ্য-প্ৰমাণ গ্ৰহণ কৰি আছে। বুধবাৰে এছআইটিৰ দলে চিআইডিৰ কাৰ্যালয়ত তিনিগৰাকীকৈ ব্যক্তিক তলব কৰি সোধা-পোছা কৰে। জুবিন গাৰ্গৰ সহযোগী বাদ্যযন্ত্ৰী দীপকেশ



বৰগোহাঁই আৰু ঋষভ ভুঞাৰ লগতে এছআইটিৰ দলে প্ৰতীক্ষা দাস নামৰ এগৰাকী যুৱতীক চিআইডিৰ কাৰ্যালয়লৈ তলব কৰি সাক্ষ্যগ্ৰহণ কৰাৰ লগতে দীৰ্ঘসময় সোধা-পোছা কৰে। প্ৰতীক্ষা দাসক চিআইডিৰ কাৰ্যালয়লৈ তলব কৰি সোধা-পোছা কৰাটো এছআইটিৰ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ এক উল্লেখযোগ্য অগ্ৰগতি বুলি বিবেচিত হৈছে। এইগৰাকী প্ৰতীক্ষা দাসেই জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাই ছিংগাপুৰত আত্মগোপন কৰি থকাৰ সময়ত শৰ্মাৰ ফেচবুক পেজৰ পৰা অসমীয়াত পোষ্ট লিখি দিছিল বুলি চৰ্চিত হৈছে। উল্লেখ্য (নপৃষ্ঠাত চাওক)

# বৰপেটাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতৰ ঐতিহাসিক ৰায়দান



ৰঙিলী বাৰ্তাসেৱা- বৰপেটাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ দীপক ঠাকুৰীয়াৰ আদালতৰ ঐতিহাসিক ৰায়দান। হত্যাৰ অভিযুক্তক আদালতে দিলে মৃত্যুদণ্ড। দুবছৰ পূৰ্বে সংঘটিত এক লোমহৰ্ষক হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰি এজন হত্যাকাৰীক বৰপেটাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ দীপক ঠাকুৰীয়াৰ আদালতে মৃত্যুদণ্ডৰ ৰায় দিয়ে। ন্যায়ালয়ে মৃত্যুদণ্ডৰ ৰায় দিয়া হত্যাকাৰীটো বৰপেটা চহৰৰ গান্ধীনগৰৰ ঋষভ দাস। উল্লেখ্য যে বৰপেটা চহৰৰ গান্ধীনগৰৰ ঋষভ দাসে প্ৰায় বিশ বছৰ পূৰ্বে চহৰখনৰে পালাংদিহাটীৰ বিনীতা দাসৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, পাৰিবাৰিক সংঘাতৰ বাবে প্ৰায়ে পত্নী বিনীতাক শাৰীৰিক, মানসিকভাৱে অত্যাচাৰ চলাইছিল স্বামী ঋষভে। কেৱল ইমানেই নহয়, স্বামী ঋষভে পত্নী বিনীতাৰ সৈতে বিবাহ বিচ্ছেদ বিচাৰি পাৰিবাৰিক আদালতত গোচৰো ৰুজু কৰিছিল। আনহাতে ঋষভ আৰু বিনীতাই এটা ঘৰতে বসবাস কৰে যদিও এনে সংঘাতৰ বাবে দীৰ্ঘদিন ধৰি দুয়োজনে পৃথকে খোৱা-বোৱা কৰিছিল। কিন্তু এই সংঘাতে চূড়ান্ত পৰ্যায় পায় ২০২৩ চনৰ ১৩ অক্টোবৰত। সিদিনা ঋষভে পত্নী বিনীতা আৰু কন্যা হিয়াক কুঠাৰেৰে ঘপিয়াই হত্যা কৰে। ইপিনে এই ঘটনাৰ সময়তে ঘৰটোত উপস্থিত আছিল হিয়াৰ এগৰাকী (দহ পৃষ্ঠাত চাওক)

# জুবিনক্ষেত্ৰ পৰিদৰ্শনৰ বাবে এছঅ'পি জাৰি চৰকাৰৰ



ৰঙিলী বাৰ্তাসেৱা-জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ পিছৰ পৰা প্ৰতিদিনেই সোণাপুৰৰ কমাৰকুছিৰ হাতীমুৰাত থকা সমাধিস্থলীত অলেখ লোকৰ সমাগম হোৱা দেখিবলৈ পোৱা গৈছে। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে দিনে-নিশাই সমাধিস্থলীত থাকে সাধাৰণ লোকৰ ভিৰ। পিছে এতিয়া দৰ্শনাৰ্থীসকলে মানি চলিব লাগিব কিছু কঠোৰ নিয়ম। এতিয়াৰ পৰা নিৰ্দিষ্ট সময়তহে জুবিনক্ষেত্ৰ দৰ্শন কৰিব পাৰিব গুণমুগ্ধই। এইক্ষেত্ৰত প্ৰশাসনে বান্ধি (নপৃষ্ঠাত চাওক)

# গুৱাহাটী প্ৰেছ ক্লাবৰ নিৰ্বাচনৰ ফলাফল ঘোষণা




ৰঙিলী বাৰ্তাসেৱা- উৎকণ্ঠাৰ অন্ত পেলাই গুৱাহাটী প্ৰেছ ক্লাবৰ কাৰ্যনিৰ্বাহক সমিতিৰ ভোট গণনাৰ অন্তত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয়। গুৱাহাটী প্ৰেছ ক্লাবৰ সাধাৰণ নিৰ্বাচনত সভাপতি পদত জ্যেষ্ঠ সাংবাদিক তথা ক্ৰছ কাৰেণ্টৰ মুখ্য সম্পাদক খগেন কলিতা আৰু সম্পাদক পদত প্ৰতিদিন টাইমৰ সাংবাদিক অৰবিন্দ কলিতাই জয়লাভ কৰিবলৈ সক্ষম হৈছে। ঘোষিত ফলাফল অনুসৰি, সভাপতি খগেন কলিতা আৰু সম্পাদক পদত অমৰেন্দ্ৰ ডেকাৰ লগতে সহকাৰী সাধাৰণ সম্পাদক পদত শ্বাহ আলম, সহকাৰী সাধাৰণ সম্পাদক (মহিলা সাংবাদিকৰ বাবে সংৰক্ষিত) পদ্মিনী হাজৰিকা, কোষাধ্যক্ষ পদত নিউজ লাইভ চেনেলৰ ভিডিঅ' জাৰ্নেলিষ্ট হীৰকজ্যোতি টাইদ (কানু) বিজয়ী হৈছে। একেদৰে এই নিৰ্বাচনী ফলাফলত গুৱাহাটী প্ৰেছক্লাবৰ সাংগঠনিক সম্পাদক পদত দীপাংকৰ কলিতাই জয়লাভ (নপৃষ্ঠাত চাওক)

# অৰুণাচলত আছাম ৰাইফল আৰু আলফা স্বাধীনৰ মাজত সংঘৰ্ষ



ৰঙিলী বাৰ্তাসেৱা- অৰুণাচল প্ৰদেশৰ নামচাইৰ ছয় মাইলত মঙলবাৰে নিশা প্ৰায় ৯ বজাত আছাম ৰাইফলছ, অৰুণাচল আৰক্ষী আৰু আলফা (স্বাঃ)ৰ প্ৰায় ৭জনীয়া এটা দলৰ মাজত তুমুল সংঘৰ্ষ সংঘটিত হয়। সংঘৰ্ষত থিতাতে নিহত হয় আলফা (স্বাঃ)ৰ কেডাৰ আইৱান অসম ওৰফে কন্তি ওৰফে অভিকেশৰ মৰাণ। নিহত আইৱান অসমৰ ঘৰ তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰিৰ জকাইচুক গাঁৱত। ১৮ অক্টোবৰত কাকপথাৰৰ সেনা শিবিৰত আক্ৰমণৰ সৈতে জড়িত থকাৰ সন্দেহ কৰা হৈছে আলফা (স্বাঃ) ৰ দলটো। নিহত আলফা (স্বাঃ) ৰ কেডাৰজনৰ পৰা এটা HK ৰাইফল, ১৪০ ৰাউণ্ড গুলী, এটা গ্ৰেনেড, এটা আৰ পি জি চেল আৰু এটা বেগ উদ্ধাৰ হয়। বেগটোত বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ হয়। ইফালে, আলফা(স্বাঃ) ৰ কেডাৰ আইৱান অসম ওৰফে কন্তি ওৰফে অভিকেশৰ মৰাণৰ মৃত্যুৰ খবৰটো বিয়পি পৰাৰ পাছতে কৰ্দৈগুৰি জকাইচুক গাঁৱৰ ঘৰখনত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে ১৮ অক্টোবৰত কাকপথাৰৰ সেনাৰ শিবিৰত এখন ট্ৰাকত আলফা (স্বাঃ)ৰ এটা দল আহি আৰ পি জি নিক্ষেপ কৰাৰ লগতে গুলীবৰ্ষণ কৰিছিল। তাৰ পাছতে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে আলফা (স্বাঃ)ৰ দলটোৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান চলায়। উক্ত অভিযানৰ অংশস্বৰূপে মঙলবাৰে নিশা অৰুণাচল প্ৰদেশৰ নামচাইত সংঘটিত হয় সংঘৰ্ষ।

# অনুভৱী মনে বিচাৰে জানা


মুন শৰ্মা, লখিমপুৰ



অনুভৱ তেতিয়াই....
কজলা দুচকুৰে যেতিয়া তুমি এপলক চাই,
ওঁঠত এটি সোণাৰুবুলীয়া হাঁহিৰে যেতিয়া,
বকুল সৰা বাটেৰে তুমি যোৱা,
সেই আবেলি টোত...
সময় বোৰ যেন ৰৈ গ'ল।
কিছু পৰ তদ্ধ যেন সমস্ত সৃষ্টি,
মই যেন নিসংগ, জগতত মাত্ৰ তুমি আৰু মই,
আৰু যেন কোনো নাই শূণ্য মাথোঁ শূণ্য চৌদিশ,
সময় তেতিয়াই, কি আচৰিত ! বসন্ত নামি আহে,
ফাগুনো আহে, লগত সেই শাৰদী আছেই,
ঠন ধৰে এখনি মোহিত বাগিচা,
ফুলি উঠে এমুঠি প্ৰেমৰ শতফুল,
বৈ যায় প্ৰণয়ৰ এখনি প্ৰশান্ত নৈ।
অনুভৱ তেতিয়াই...
কাষতে থকা পালতৰা নাও খনতে,
তোমাক কাষতে লৈ...
বহু দূৰ গুচি যাম,
কিছু প্ৰেমৰ আলাপ আৰু এমুঠি প্ৰেম গীতক সাৰথি কৰি,
আৰু... উভতি আহিম,
সূৰ্যাস্ত পাছৰ জোনাকীৰ জিলমিলত দেখা বাটেৰে।

# শিক্ষাৰ মৰ্যাদা আৰু মদ

মুজাম্মেল হ'ক, গুৱাহাটী



দুঃস্বপ্নৰ স্বপ্ন দেখা মানুহবোৰে
দুখীয়া ল'ৰাবোৰক হাতিয়াৰ কৰে
সপোনটো দেখুৱাই
গা-ৰ ছাল এৰুৱাই
শিক্ষাই সমাজক মদ যোগান ধৰে।
ৰাখিছে ডেকা শক্তিক মদত ডুবাই
অপৰাধী হে ডেকা জেইলত সোমায়
কৰে শেষ ভবিষ্যৎ
কয় উদ্দেশ্য মহৎ
শিক্ষিতই শিক্ষাৰ মৰ্যাদা পুৰি খায়।
বাঢ়ে শিক্ষাহাৰ দেশ পুৰি চাৰ্ খাৰ্
ৰক্ষকেই ভক্ষক হৈ কৰে অত্যাচাৰ
দিন ভিক্ষা প্ৰাণ ৰক্ষা
যি-হে আঁচনি সুৰক্ষা
সেয়েহে বিভেদ আজি ধনী দুখীয়াৰ।

# মানিলে ধান নামানিলে পতান



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

ঃ ল'ৰাটোক কি কৰি ৰাখিছ? ডাক্তৰ দেখুৱালে নহ'ব! গুৱাহাটী/দিল্লী সকলোতে দেখালি একো কাম নিদিলে। গতিকে এবাৰ মোৰ কথা শুনিবি। গৰখীয়া দৰে সৰু ল'ৰাক এসাজ খুৱাব লাগিব লগতে বেজ/বেজালি দেখুৱাই চাচোন ।

ঃ পেহীয়েকৰ পৰামৰ্শ মতে শাহু/শহুৰ নথকা ঘৰখনত ৰমাই মাকক মাতিলে। মাক অহাত পেহীয়েকৰ সৈতে সৰু ল'ৰা কেইটামানক বন্ধৰ দিনত মাতিলে, এসাজ ভাত খুৱাই সিহঁতৰ প্ৰয়োজনীয় বহী, কলম/পেন্সিল দিলে। তাৰ পাছত এদিন সাধকৰ ঘৰত ৰমাই ৰাতিপুৱাই গিৰিয়েকৰ সৈতে যাব'লৈ ওলাল বুকুৰ কলিজাটো সাৱটি লগতে পেহীয়েক গ'ল।

ঃ অকণমান দীঘলীয়া গন্তব্য স্থান। গাঁওৰ বাট-পথ ওখোৰা-মোখোৰা গাড়ীখনৰ সহিতে ধলং-ঢ পঙকৈ ১২ বজাত যথাস্থানত উপস্থিত হ'ল। তাই ভৰাতকৈ ভালে সংখ্যক মানুহৰ সমাগম দেখি মনৰ সংকোচ কিছু আঁতৰ হ'ল। কিবা উপকাৰ নাপালেনো ইমান সংখ্যক লোক গোট খায় নে ..? ৰমাৰ মনতে এক ডাঙৰ প্ৰশ্ন !

পেহীয়েকে ক'লে ঈশ্বৰে নিশ্চয় ভাল কৰিব। যি কয় সেই মতে কৰিব লাগিব।

এজন ২০ বছৰীয়া ল'ৰা চোতালত এখনত আসন পাতি বহি আছে। সেই ল'ৰাজনৰ ঘৰৰ মানুহে কেইখনমান চকী মানুহবোৰ বহাৰ কাৰণে ৰাখিছে। সমিধান বিচাৰি যোৱা মানুহবোৰৰ নামবোৰ ল'লে। তাৰ পিছত সেইমতে এফালৰ পৰা মাতিব ধৰিলে। কাষতে এডাল ডাঙৰ গছ আছে সেই গছ ডাললৈ চাই যিজনকে কাষলৈ মাতে সেইজনকে কিবা সুধি বিধান দিয়ে। এনেদৰে ৰমাকো মাতি সি ক'লে আপোনাৰ ল'ৰাটোক ডাঙৰ লেঠা লাগিছে। সোনকালে আনিলেহে পাৰিলোঁ হয় তথাপি এই তাবিজটো পিন্ধাব। তাৰ কথাশুনি ৰমা আচৰিতেই নহয় মনে মনে হাঁহিও উঠিল। কাৰণ ল'ৰাজন পেহীয়েকৰ সম্পৰ্কীয় সেই সূত্ৰে ইতিমধ্যে পেহীয়েকৰ পৰা সকলো তথ্য পাইছে।

তাৰ পিছত আৰু এদিন এগৰাকী মহিলা সাধকৰ ওচৰত গ'ল। মানুহবোৰে বৰ আদৰ-সাদৰ কৰি বহিবলৈ দিলে। ক'ৰ পৰা আহিছে , কি সমস্যা, আগতে আহিছিল নে...ইত্যাদি ইত্যাদি ? তাৰ মাজতে দুই এজনে ক'লে বহুত ডাঙৰ ডাক্তৰক দেখুৱাইও একো ফল নাপালে ইয়াত আহিহে। কিছু সকাহ পালোঁ ! কথা বতৰাৰ পৰা বুজিব পাৰি আটাইবোৰ পাৰ্শ্ববৰ্তী গাওঁৰে বাসিন্দা ...! এজন লোকে ৰমাৰ গিৰিয়েকৰ নামটো সুধি কুপন এখন দিলে “১৬ নম্বৰত” কিছু সময়ৰ পিছত চুলিমেলি, ৰঙা ৰঙৰ চাদৰ মেখেলা পিন্ধা মহিলা এগৰাকী ঘৰৰ পৰা ওলাই আহি মাজ চোতালত সজাই থোৱা সৰু খেৰিৰ জুপুৰি ঘৰটোত সোমাল। সকলোৰেথিয় হ'ল। ডবা, ঘণ্টা, শঙ্খধ্বনী বজাই একেলগে প্ৰাৰ্থনা কৰিলে প্ৰায় ১২ মিনিটমান। ইয়াৰ পিছত নিজ নিজ সমস্যা লৈ এজন এজনকৈ জুপুৰি ঘৰটোত সোমাল। প্ৰায় এক ঘণ্টামান পিছত ৰমা আৰু গিৰিয়েকক মাতিলে। সন্তানটোক কোলাত তুলি লৈ স্বামী-স্ত্ৰী দুয়ো প্ৰৱেশ কৰিলে। ভিতৰত এটা সৰু গাতত মহিলা সাধক গৰাকী বহি আছে সন্মুখত ধূপ, চাকি-বন্তি প্ৰজ্বলিত এখন থাপনা, কালীগোসানীৰ ফটো এখন আছে । পিছফালে পাৰি থোৱা পাতিখনত বহি সিহঁতে প্ৰণাম কৰিলে।

ঃ“মা” তুমি এবাৰ দেখা দিয়া ক'ত আছা “মা” ওঁম নমঃ হিং কিং..দেৱী ...! আহিছা “মা”, কোৱা “মা” কোৱা হিং কিং. ....(অলপ মন্ত্ৰ উচ্চাৰণ কৰি)

ঃ ৰোগীৰ নাম আৰু বয়স কওকচোন ....?

ঃপাৰ্থ, পাঁচ বছৰ।

ঃ ঠিক আছে। হ'ব হ'ব “মা” মই সকলো বুজি পাইছো...!


এনেকৈ দেৱীৰ সৈতে সংযোগ ঘটাই কিছু সময় পাচত ৰমালৈ নোচোৰাকৈ ক'ব ধৰিলে- “আপোনালোকৰ ল'ৰাটোৰ পঢ়া শুনাত ভাল হ'ব”...! অলপ নজৰ লাগিছে কাৰণে বেমাৰ আজাৰ হৈছে। বয়স কম মনটো চঞ্চল হৈ আছে...! মনস্তাত্বিক দিশৰ পৰা পাঁচ বছৰ বয়সীয়া ল'ৰা এজনৰ সকলো লক্ষণ বৰ্ণনা কৰিব ধৰিলে....সাধক মহিলা গৰাকীয়ে।

(বাৰপৃষ্ঠাত চাওক)

অণুগল্প

# ভুলৰ পৰিণাম

দীপালী শইকীয়া গগৈ, আমগুৰি



নিজৰ ছোৱালী জনীৰ বিয়াৰ উপযুক্ত বয়স হোৱাৰ পাছতো নিৰ্মল বৰুৱাৰ সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ নাই। লিজাই বি এ ঞ্জে ণীত নামভৰ্তি কৰা বছৰতে মাকৰ মৃত্যু হোৱাত দেউতাকে পুনৰ বিয়া কৰালে। মাহীমাকে লিজাক নানান অত্যাচাৰ চলায়।দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ তাই বাৰীৰ পুখুৰীতে জাঁপ দিলে।

# সেউজীয়া পথাৰখন



**বিশ্বজিৎ বৈশ্য,বংশৰ, শুৱালকুছি**

সেউজীয়া পথাৰ খনত এতিয়া কৃষকৰ অশেষ পৰিশ্ৰমৰ শেষত জীপাল হোৱা ক্ষণ। অসমীয়া সমাজ জীৱনৰ অন্য এক উৎসৱৰ বিহু হ'ল কাতি বিহু আৰু এই বিহুতে তুলসীৰ তলত চাকি-বন্তি জ্বলাই শঁইচ, ধন সম্পত্তিৰে উভয়নদী হোৱাৰ কামনাৰে প্ৰাৰ্থনা কৰাৰ সময় এয়া। চহা কৃষক সকলে কপালৰ ঘাম মাটিত পেলাই নিজৰ নিজৰ খেতি মাটি ডৱাত গুৰুত্ব দিয়ে। যাতে পথাৰবোৰ সেউজীয়া হৈ প্ৰাণময় জীৱনৰ মাদকতাৰে উভয়নদী হৈ পৰে। কৃষকসকলৰ সাধনাৰ সাক্ষী হৈছিল এই পথাৰবোৰ। পথাৰবোৰৰ কথা ভাৱি কৃষক সকলে বিচাৰি পাই নতুনত্বৰ এক সোৱাদ। যাৰ পৰিপেক্ষিতত মুখত হাহি বিৰিঙি উঠা দেখা যায়। সমান্তৰাল ভাৱে চাৱলৈ গ'লে কৃষকসকল আৰু মাটিৰ প্ৰতিটো মুহূৰ্ত যেন স্মৃতিৰ শান্তি। আৰু এই শান্তিৰ দ্বাৰাই পৰম ঈশ্বৰক প্ৰাৰ্থনা কৰে। সাত পৰে মনবোৰ যেতিয়া খেতিপথাৰত সেউজীয়া সোনগুটিয়ে গেৰ মেলে।

# সম্পৰ্কৰ বান্ধোন

**মনোৰঞ্জন বৰা, গোলাঘাট, দেৰগাঁও**

সম্পৰ্কবোৰ মাত্ৰ দুদিন তিনিদিনৰ বাবে কৰা হয় নেকি? নিশ্চয় নহয়। বন্ধুত্ব হওঁক, বায়েক ভায়েক সম্পৰ্ক হওঁক ভালপোৱা হওঁক যিটো সম্পৰ্কই নহওঁক কিয় সকলো স্থায়ী হোৱাটো প্ৰয়োজনীয়। সকলোতে বিশ্বাস থকাটো বাঞ্ছনীয়। যদি বিশ্বাস নাথাকে সেই সম্পৰ্ক এদিন নহয় এদিন ফাট মেলিবই । যদি বিশ্বাস থাকিও তেওঁ আপোনাৰ পৰা আতঁৰি গৈছে তেন্তে তাত নিশ্চয় কিবা কথা থাকিব। হয়তো তেওঁক বাধ্য কৰোৱা হৈছে নাইবা সময়ৰ লগত পৰি তেওঁ সলনি হ'বলৈ ধৰিছে। আপুনি গম পাইছে তেওঁ সলনি হৈছে তথাপিও আপুনি তেওঁৰ লগত আগৰ দৰেই কথা পাতিছে কিন্তু তেওঁ যেন আগৰ দৰে আপোনাৰ লগত কথা পাতিব বিচৰা নাই। ইয়াতো তিনিটা কথা আহিব পাৰে --



১) তেওঁ আপোনাৰ পৰা আতঁৰি যাব বিচাৰে নাইবা আপোনাক কিবা কথাত বেয়া পাই আছে ।

২) হয়তো আপোনালোকৰ মাজত তৃতীয়জন ব্যক্তি সোমাবলৈ চেষ্টা কৰিছে নাইবা তেওঁৰ জীৱনলৈ আপোনাতকৈ ভাল কোনোবা আহিল কিন্তু আপোনাৰ লগত কথা পতাৰ অভ্যাস হোৱাৰ বাবে এটা বা দুটা মেচেজ নকৰিলে বেয়া লাগে মনটো।

৩) সময় আৰু পৰিস্থিতিৰ লগত পৰি আপোনাৰ পৰা আতঁৰি আছে। আপোনাক বেয়া নাপায় তেওঁ কিন্তু প্ৰথমে তেওঁ নিজৰ জীৱনৰ ভেটি সুদৃঢ় কৰিব বিচাৰে, তাৰ পিছত আপোনাৰ লগত আকৌ আহিব সম্পৰ্কত।

আৰু যদি এই তিনিটাৰ এটাও নহয় তেন্তে তেওঁ আপোনাৰ পৰা আতঁৰি বুলিয়ে আঁতৰি আছে। আপুনি তেওঁক যিমান বুজাবলৈ চেষ্টা নকৰক কিয় আপুনি ব্যৰ্থ হ'ব। আপোনাৰ প্ৰত্যেকটো কথাই তেওঁৰ বাবে আমনিদায়ক হ'ব। আপুনি যিমানেই সেই বিষয়ে জানিবলৈ চেষ্টা কৰিব সিমানেই তেওঁ আপোনাৰ পৰা আতঁৰি যাবলৈ চেষ্টা কৰিব। ইয়াৰ মূলতে হৈছে বিশ্বাস আৰু সময়ৰ পৰিবৰ্তন।

বিশ্বাসৰ কথা ক'বলৈ গ'লে বহুতো কথা আহিব, আপোনালোকে জানেই আমাৰ সমাজত থকা কথা লগায় ভাল পোৱা সকলৰ কথা যিয়ে কথা খুচৰি ফুৰি বহুত ভাল পাই। তিলটোকে তাল কৰি কথা লগাই ভালপোৱা সকলৰ কথা। তেওঁলোক থকা মানে চচিয়েল মিডিয়া, নিউজ এইবোৰ নাথাকিলেও হয়। যাৰ পৰা বিশ্বাস ভংগ হ'বলৈ অলপো সময় নলয় ।


সময় আৰু পৰিস্থিতিৰ লগত পৰি তেওঁলোকে বহুতো অভিজ্ঞতা লাভ কৰে যাৰ বাবে কিছুমান কথাই তেওঁলোকক ভিতৰি মানসিক ভাৱে বহুত কষ্ট দিয়ে কিন্তু কাকো ক'ব নোৱাৰে তেওঁলোকে নিজৰ মনৰ কথাবোৰ আনক কৈ আনৰ পৰা তেওঁলোকে প্ৰেৰণা পাব নিবিচাৰে আনৰ পৰা সান্ত্বনা ল'বলৈ নিবিচাৰে। যাৰ বাবে তেওঁলোক আঁতৰি যায় যান্ত্ৰিক সমাজৰ পৰা আঁতৰত।

আপুনি যদি ভাৱিছে আপোনাৰ প্ৰিয় জন, বন্ধুজন বা আপোনাৰ মৰমৰ বা ভাইটি জন যদি আঁতৰি গৈছে তেন্তে তেওঁক আঁতৰি যাব দিয়ক আপুনি, আপোনাৰ জীৱনৰ পৰা নহয় অলপ সময় অকলশৰে কটাবলৈ। তেওঁ য'তেই থাকিব সুখতেই থাকিব, আপোনাৰ পৰা তেওঁ কেতিয়াও আঁতৰি নাযায় বৰঞ্চ অলপ পলম কৈ হ'লেও আপোনাৰ জীৱনলৈ আকৌ আহিব তেওঁ চিৰ দিনৰ বাবে। মাথোঁ আপুনি তেওঁক তেওঁৰ মতে থাকিবলৈ দিয়ক আৰু কেতিয়াও সুধিবলৈ চেষ্টা নকৰিব তেওঁ আপোনাৰ পৰা কিয় আঁতৰি গৈছিল।

(জনকণ্ঠ জুবিন গাৰ্গলৈ উৎসৰ্গিত)

# এজাক ৰ'দৰ সন্ধানত

**স্মৃতি ৰেখা বৰা,কলিয়াবৰ**



আকাশে গাতে ল'বৰে মন
সাগৰ তলিত শুবৰে মন......
গীতৰ শব্দৰ মাজেৰে যেন
দিব বিচাৰিছিলা অজান
দেশলৈ যোৱাৰ বতৰা।
কাঞ্চনজংঘাৰ উচ্চ শিখৰত থাকিও
তুমি যে বিচৰণ কৰিছিলা
ভৈয়ামৰ প্ৰতিজন অসমীয়াৰ
ৰক্ত কলিজাত।
শব্দৰ জালেৰে মেৰিয়াই
ৰাখিছিলা মন মগজুৰ
প্ৰতিটো কোষ।
যি গানৰ অৰ্থ বিচাৰি
হাহাকাৰ কৰে প্ৰতিজন
অনুৰাগীৰ বুকু।
মই নথকাৰ অনুভৱ
যিদিনা হ'ব তোমাৰ.....
সঁচাই তুমি নথকাৰ অনুভৱে
বাৰুকৈয়ে দহিছে সকলোৰে বুকু।
মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি....
যি গানে হৃদয়ত তুলিছিল
ভালপোৱাৰ জোৱাৰ,
সেই গীতেই যে আজি হৈ
পৰিছে শ্ৰদ্ধাঞ্জলিৰ অৰ্ঘ্য।
এটি যুগৰ অৱসান,
এটি সুৰৰ অৱসান,
যি সুৰে ভেদাভেদ নেওচি
জনতাৰ হৃদয়ক দিছিল
একতাৰ আলিংগন।
সেই সুৰ আজি নিতাল নিস্তব্ধ।
সাগৰ তলিৰ নিভৃত কোণত
জিৰণি লোৱাৰ মানসত।
ৰ'দ, ৰ'দ আজি কেনি চাওঁ
খিৰিকী মেলি সন্মুখত.....
ৰ'দৰ সলনি আজি সকলোতে
যেন আউসীৰ এন্ধাৰ।
ঘিট্ মিট্ এন্ধাৰত দিশ হেৰুৱাই
শোকত ম্ৰিয়মান প্ৰেমিক জনতা।
এক স্বৰে সকলোৱে কৰে আহ্বান
ঘূৰি আহা, ঘূৰি আহা
এজাক কাচিয়লি ৰ'দ হৈ
জনতাৰ মাজলৈ, যাৰ পৰশত
জিলিকি উঠক প্ৰতিজন
অনুৰাগীৰ আকলুৱা হৃদয়।।

অসম চৰকাৰ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ





ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

**JANASANYOG- 2681/25/26-Oct-25**

অসমৰ ৩৮০ৰো অধিক স্থানত একেটা দিনতে আনুষ্ঠানিকভাৱে আবেদন-পত্ৰ বিতৰণ

## সুবিধাসমূহ

| শাখা | মাহিলি ধনৰাশি * | সৰ্বাধিক মুঠ পুঁজি |
|---|---|---|
| উচ্চতৰ মাধ্যমিক (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,০০০ টকা | ১০,০০০ টকা |
| স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচী পাঠ্যক্ৰম (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,২৫০ টকা | ১২,৫০০ টকা |
| স্নাতকোত্তৰ আৰু বি এড (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ২,৫০০ টকা | ২৫,০০০ টকা |

*বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে পুঁজি লাভৰ সুবিধা

## সময়সূচী ২০২৫-২৬

| কাৰ্যসূচীসমূহ | সময়সূচী |
|---|---|
| আবেদন-পত্ৰ বিতৰণ | ৬ আগষ্ট – উচ্চতৰ শিক্ষা আৰু এছ চি ই আৰ টি |
| | ৭, ৮, ৯ আগষ্ট – মাধ্যমিক শিক্ষা |
| মহাবিদ্যালয়/বিদ্যালয় কৰ্তৃপক্ষৰ দ্বাৰা ছাত্ৰীৰ তথ্য আপলোডৰ বাবে প'ৰ্টেল মুকলি | ৭ আগষ্ট |
| প'ৰ্টেল বন্ধ | ৫ ছেপ্টেম্বৰ |
| এছ বি আই প'ৰ্টেলত তথ্য আপলোড | ১৫ ছেপ্টেম্বৰ |
| চেক বিতৰণ | অক্টোবৰ |

২০২৪-২৫ বৰ্ষ
১.৬ লাখ
ছাত্ৰীৰ বাবে
১৩৩ কোটি টকা
বিতৰণ

২০২৫-২৬ বৰ্ষ
৪ লাখ+
ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ
সুবিধা

## সামাজিক প্ৰভাৱ

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ
- আবেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ব নোহোৱা পৰ্যন্ত কন্যাৰ বিবাহ ৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

## অৰ্হতা

- অসমত স্থায়ীভাৱে বাস কৰা ছাত্ৰী
- নিম্নোল্লিখিত পাঠ্যক্ৰম গ্ৰহণ কৰা ছাত্ৰী
  - উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম
  - নতুন শিক্ষা নীতি ২০২০ৰ অধীনৰ সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰম
  - চৰকাৰী শিক্ষানুষ্ঠানত স্ব-পুঁজিৰে গ্ৰহণ কৰা পাঠ্যক্ৰম

## কোনে আঁচনিখনৰ সুবিধা লাভ নকৰে?

- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাদে) আৰু চাকৰিয়াল বি এড ছাত্ৰী
- মন্ত্ৰী, সাংসদ আৰু বিধায়কৰ কন্যা
- বাণীকান্ত কাকতি বঁটা (স্কুটী) লাভ কৰা ছাত্ৰী
- ব্যক্তিগত শিক্ষানুষ্ঠানৰ ছাত্ৰী

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in



# নিচাৰ সৰ্বগ্ৰাসী ৰূপ

**নিবেদিতা হাজৰিকা, লখিমপুৰ**

শৰীৰৰ বাবে অপকাৰী যিবিলাক বস্তু গ্ৰহণ কৰিলে এৰাব নোৱাৰা হয়, অভ্যাসত পৰিণত হয় তেনেবোৰ বস্তুকে নিচাজাতীয় দ্ৰব্য বুলি কোৱা হয়।

নিচাজাতীয় দ্ৰব্য সেৱন কৰা লোকৰ সংখ্যা দিনক -দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিভিন্ন নিচা জাতীয় দ্ৰব্যৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাই বৰ্তমানৰ সমাজ বিশেষকৈ উঠি অহা প্ৰজন্মক বেছিকৈ আকৰ্ষিত কৰা পৰিলক্ষিত হৈছে। নিচাজাতীয় দ্ৰব্য আগতেও আছিল যদিও ইয়াৰ পৰিমান সীমিত আছিল। আগতে নিচা জাতীয় দ্ৰব্য বুলি ক'লে মদ, ভাং আৰু কানিকে বুজোৱা হৈছিল। কিন্তু আজি অসংখ্য নতুন -নতুন নিচাজাতীয় দ্ৰব্য সুলভ বুলি ক'ব পাৰি ।

এটা সময় আছিল সমাজৰ এটা মাত্ৰ অংশই হে সুৰাপান কৰিছিল। সুৰাৰ দোকান সমূহো আছিল জনসমাগমৰ পৰা প্ৰায় আঁতৰত। সুৰা সেৱন কৰা লোক সকলৰ ভিতৰতো প্ৰাপ্তবয়স্ক সকলেই আছিল। কিন্তু এতিয়া উঠি অহা প্ৰজন্মৰ প্ৰায় সংখ্যকেই বিভিন্ন নিচাৰ প্ৰতি আসক্ত বুলি ক'ব পাৰি। অভ্যস্ত বুলি ক'ব পাৰি।

নিচাৰ সৰ্বগ্ৰাসী ৰূপে বহুতো সুন্দৰ, মেধাৱী, প্ৰতিভাবান ল'ৰা-ছোৱালীৰ জীৱনলৈ কাল অমানিশা নমাই আনিছে। বিপথগামী, নিচাগ্ৰস্ত সন্তানৰ অশান্তিকৰ কাৰ্য-কলাপে বহু ঘৰৰ পৰিৱেশ, শান্তি আদি বিঘ্নিত কৰিছে। আৰ্থিক ভাৱে স্বচ্ছল অভিভাৱক সকলে সন্তানৰ হাত খৰচৰ বাবে এক মোটা অংকৰ ধন হাতত তুলি দিয়ে কিন্তু সেই টকা ক'ত কেনেকৈ খৰচ কৰিছে সেই কথাৰ খবৰ নাৰাখে। অভিভাৱকে প্ৰথম ভুলটো সেই খিনিতেই কৰে। অনভিজ্ঞ, অপৈনত সন্তানে বিচৰাতকৈ অধিক টকা টকা পালে, ঘৰুৱা তত্বানানৰ পৰা মুকলি হৈ স্বতন্ত্ৰ হৈ পৰি কেতিয়াবা বন্ধুৰ প্ৰৰোচনাত আৰু কেতিয়াবা নিজ ইচ্ছাৰে কেৱল ফূৰ্তি কৰাৰ উদ্দেশ্যে সুৰা বা আন নিচা জাতীয় দ্ৰব্যত মুখ দিয়ে। এটা সময়ত এই অভ্যাস গাঢ় হৈ পৰে আৰু এৰাব নোৱাৰা অভ্যাসত পৰিণত হৈ পৰে।

বৰ্তমান পৰিয়াল সমূহ ক্ষুদ্ৰ হৈ পৰাত পৰিয়াল সমূহ ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। আগতে এঘৰৰ এটা ল'ৰা নষ্ট হ'লে সমাজৰ জ্যেষ্ঠজনে শাসন কৰাৰ অধিকাৰ আছিল। অভিভাৱকেও সেই অধিকাৰ দি ৰাখিছিল। কিন্তু আগৰ দৰে আনৰ সন্তানক শাসন কৰাৰ অধিকাৰ নাই। বৰ্তমান সেই অধিকাৰ সমাজৰ পৰা কাঢ়ি নিয়া হৈছে। আৰু ইয়াৰ সুবিধা লৈয়ে বহু সন্তান বিপথগামী হ'বলৈ সুবিধা পাইছে। কোনো কোনো ক্ষেত্ৰত সন্তান ডাঙৰ হোৱাৰ লগে -লগে পিতৃ-মাতৃয়ে সন্তানক সমীহ কৰিবলৈ আৰম্ভ কৰে। কিয়নো বহু সন্তানে পিতৃ -মাতৃয়ে তেওঁলোকৰ ভুল-ক্ৰটি সমূহ দেখুৱাই দিলে বেয়া পায় আৰু নিজৰ ভুল স্বীকাৰ কৰা বা অনুশোচনা কৰাৰ পৰিৱৰ্তে অভিভাৱকক অপমান কৰিবলৈ তথা বহু সময়ত অভিভাৱকক আক্ৰমণ কৰিবলৈও কুণ্ঠাবোধ নকৰা হয়। আৰু অসহায় অভিভাৱকে ঘৰুৱা পৰিৱেশ বিনষ্ট হোৱাৰ ভয়ত, সন্তানৰ ওচৰত অপদস্ত হোৱাৰ ভয়ত মনে-মনে থাকিবলৈ বাধ্য হয়। আৰু সেই সুবিধাতে সন্তান বিপথে যাবলৈ সুবিধা পায় ।

অপ্ৰিয় হ'লেও সত্য যে সৰ্বত্ৰ যি নিচাৰ মুকলি, অবাধ বেহাৰ প্ৰচলন হৈছে ইয়াৰ বাবে কিন্তু ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ খনেই সম্পূৰ্ণ জগৰীয়া। কেৱল ৰাজহ সংগ্ৰহৰ উদ্দেশ্য আগত ৰাখি চৰকাৰে উঠি অহা প্ৰজন্মৰ বাবে যি ধংসৰ বাট মুকলি কৰি দিছে ই সমগ্ৰ পৰিৱেশ সমুলঞ্চে যে ধংস কৰিব সি ধূৰূপ।

বৰ্তমান নিচাৰ সৰ্বগ্ৰাসী ৰূপ সৰ্বত্ৰ শিপাইছে। নিচাৰ সৰ্বনাশী ৰূপৰ সাক্ষী বহু জন হৈছে। সেয়ে এই ক্ষেত্ৰত পিতৃ-মাতৃ, সমাজৰ অভিভাৱক স্বৰূপ জ্যেষ্ঠ সকল তথা চৰকাৰ এই সকলো খিনিয়ে একত্ৰিত হৈ কাম নকৰিলে অনাগত দিনবোৰ বৰ চিন্তনীয় হৈ পৰিব। সমাজৰ শৃংখলা নাইকিয়া হ'ব। পৰিয়ালৰ শান্তি বিঘ্নিত হ'ব। এই সুৰময় জগত খন যেন সুৰাময় হৈ নপৰে ইয়াৰ বাবে প্ৰয়োজন হ'লে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ সকলো আগবাঢ়ি আহিব লাগিব। অন্যথা নিচাৰ সৰ্বগ্ৰাসী ৰূপে ভয়ংকৰ ৰূপ ধাৰন কৰি সকলোৰে অনিষ্ট সাধন কৰিব আৰু ইয়াৰ পৰিণতি হ'ব ভয়ংকৰ।

# Heartthrob Zubeen Da



**Heramba Nath**

You are a fountain of inspiration,
A divine glimpse shining through your generosity.
In the courtyard of my poetry, you stand
As a sacred tulsi,
And I write verses steeped in the nectar of your fragrance.
Zubeenda — I whisper again,
You are a fountain,
For within the whirlpool of creation,
You become the guiding light.
Upon the canvas of my heart,
Blooms a tender green faith.
In the vast universe of awakening thoughts,
You are the eloquence of inspiration itself.
The soft glow of motivation unfurls,
In the warmth of your words,
And in a fleeting moment,
I dissolve into the very essence of poetry.
Through curious reflections,
And the vibrant pulse of life,
Every word you utter
Becomes divine music to my soul.
You are the radiant, unsullied sky of inspiration,
The rising crescendo of my boundless longing.

জুবিন গাৰ্গৰ স্মৃতিত লিখা এটি অনুভৱ

# হঠাতে খহি পৰিল সূৰ্য্য

**নমিতা দাস,শুৱালকুছি শান্তিতোল**



হঠাতে খহি পৰিল সূৰ্য্য
কলা মেঘেৰে আৱৰি ধৰিলে আকাশ
সাগৰো থমকি ৰ'ল
শৰতৰ শেৱালীডাল
উকা হৈ গ'ল ।
গছ বিৰিখ স্তব্দ হৈ ৰ'ল
আকাশে বতাহে
মাথোঁ ক্ৰন্দনৰ ৰোল
অসমৰ জনতাৰ চকু পানী বোৱো নৈ হৈ গ'ল
আৰ্ত জনৰ সঞ্জৱনীৰ বাটো চোন
হেৰাই গল,
জীৱকুলু আজি নিমাত
সুৰ সমলয় কথা আৰু গীতেৰে
মাতৃভূমিক উজলাই ৰখা
তৰোৱাল খনো যে নিঃ শেষ হ'ল
প্ৰকৃতিৰ লগতে শত সহস্ৰ জনৰ হৃদয়
খনো উকা হৈ ৰল,
সকলোৰে আপোন হৈ পৰা শিল্পীগৰাকীক
শেষ কৃত জনাবলৈ ৰাজপথলৈ ওলাই আহিল
পোন্ধৰ লক্ষ্যাধিকতকৈ অধিক জনতা
পৃথিবীৰ ইতিহাসত নাম থৈ গল।

# অন্ধ্ৰপ্ৰদেশত চলন্ত বাছত

হায়দৰাবাদ ঘাইপথত এখন বাইকৰে মুখামুখি সংঘৰ্ষ লাগে বাছখনৰ। ফলত বাছখনত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। নিমিষতে গোটেই বাছখন জুয়ে আগুৰি ধৰাত যাত্ৰীসকলে ওলোৱাৰ কোনো সুবিধা নাপালে। এই সময়তে এক বিস্ফোৰণৰ শব্দও শুনা যায়। কেইমিনিটমানৰ ভিতৰতে বাছখন জ্বলি ছাই হৈ পৰে। জীৱন্তে অগ্নিদ্বগ্ধ হৈ ২৫গৰাকী অসহায় যাত্ৰীয়ে মৃত্যুক আঁকোৱালি লয়। এই ঘটনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে মৃতকৰ আত্মীয়ক ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়- কুৰ্নুলত সংঘটিত ঘটনাত মই স্তম্ভিত হৈছোঁ। মৃতকৰ পৰিয়ালৈ সমবেদনা জ্ঞাপন কৰিছোঁ আৰু আহতসকলৰ আশুআৰোগ্য কামনা কৰিছোঁ। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় এই ভয়ংকৰ বাছ দুৰ্ঘটনাৰ খবৰ পাই অতিকৈ মৰ্মাহত হৈছোঁ। আপোনজনক হেৰুওৱা লোকসকলৰ প্ৰতি মোৰ সমবেদনা জ্ঞাপন কৰিলোঁ। চৰকাৰে সকলো প্ৰকাৰে আহত আৰু ক্ষতিগ্ৰস্ত পৰিয়ালৰ কাষত থিয় দিব।

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি

নোপোৱালৈকে আছু ক্ষান্ত নহয়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত ক্ষিপ্ৰ আৰু পানী নসৰকাবিধৰ হ'ব লাগিব বুলি মন্তব্য কৰি মুখ্য উপদেষ্টা ড° ভট্টাচাৰ্যই কয় যে এছআইটিয়ে তথ্য সাক্ষ্য-প্ৰমাণসহ এখন কটকটীয়া অভিযোগনামা আদালতত দিব লাগিব। যাতে এজনো দোষী আইনৰ সুৰুঙাৰে বাচি যাব নোৱাৰে। ন্যায় নিদিয়ালৈকে আমাৰ সংগ্ৰাম অব্যাহত থাকিব। শেহতীয়াকৈ প্ৰিয় শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ন্যায় বিচাৰি ৰাজ্যজুৰি বিভিন্ন স্তৰৰ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰাৰ মাজতে একাংশই ৰাজনীতি কৰাৰ অভিযোগ উঠা সন্দৰ্ভত ড° ভট্টাচাৰ্যই শাসক-বিৰোধী উভয়কে জুবিন গাৰ্গৰ বিষয়টোক লৈ ৰাজনীতি নকৰিবলৈ তীব্ৰ সকীয়নি প্ৰদান কৰিছে। তেওঁ কয় যে অসমৰ ৰাইজে অন্তৰৰ পৰাই বিচাৰিছে জুবিন গাৰ্গে ন্যায় পোৱাটো। গতিকে চৰকাৰে দোষীক কঠোৰ, দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰি শিল্পীগৰাকীক ন্যায় দিবই লাগিব। প্ৰতিবাদী কাৰ্যসূচীটোত অংশ লৈ আছুৰ সভাপতি উৎপল শৰ্মাই কয় যে শিল্পীগৰাকীৰ মৃত্যুৰ দিনটোৰ পৰাই আছুৱে মৃত্যুৰ অস্বাভাৱিকতাৰ বিষয়ে বিভিন্ন প্ৰশ্ন উত্থাপন কৰি আহিছে। আছুই প্ৰিয় শিল্পীগৰাকীক ন্যায় প্ৰদান কৰিবলৈ ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী হাতত লৈছে। দোষীসকলে কঠোৰ দৃষ্টান্তমূলক শাস্তি পালেহে অসমৰ ৰাইজ আশ্বস্ত হ'ব। ইয়াৰ বাবে ক্ষিপ্ৰ তদন্তৰ লগতে কটকটীয়া চাৰ্জশীট এছআইটিয়ে আদালতত দিব লাগিব। জুবিন গাৰ্গ আজি হেৰাই যোৱা এমাহৰ বেছি হৈ গ'ল। অসমৰ ৰাইজে ধৈৰ্যসহকাৰে অপেক্ষা কৰি আছে। গতিকে তদন্ত জোৰদাৰ হ'ব লাগিব। বিগত এটা মাহে অসমৰ প্ৰতিটো পৰিয়ালে এটা অশান্ত মন লৈ জীৱন নিৰ্বাহ কৰিছে। সকলোৰে মনত এটাই বিষয়- প্ৰাণৰ শিল্পীগৰাকীয়ে ন্যায় পাব লাগিব। জুবিন গাৰ্গৰ ন্যায়প্ৰাপ্তিৰ যাত্ৰাত সকলো সময়তে ছাত্ৰ সন্থাই শান্তিপূৰ্ণ গণতান্ত্ৰিকভাৱে পদক্ষেপ গ্ৰহণ কৰিব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গে ন্যায় নোপোৱা পৰ্যন্ত ছাত্ৰ সন্থা ক্ষান্ত নহয়। উল্লেখ্য যে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি ১৪ অক্টোবৰত অৱস্থান বিক্ষোভ আৰু ১৯ অক্টোবৰত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰিছিল। এই ন্যায় সমদল কাৰ্যসূচীৰ যোগেদি আছুৱে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে । ছাত্ৰ সন্থাৰ স্পষ্ট দাবী যে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদান কৰিবই লাগিব।

# গুৱাহাটী প্ৰেছ ক্লাবৰ

কৰাৰ বিপৰীতে সাংস্কৃতিক বিভাগৰ সম্পাদক পদত সমীৰণ বৰঠাকুৰ আৰু ক্ৰীড়া সম্পাদক পদত নিউজ ১৮ৰ সাংবাদিক দীপাংকৰ দাসে জয়লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, গুৱাহাটী প্ৰেছ ক্লাবৰ নিৰ্বাচনত এইবাৰ বিনাপ্ৰতিদ্বন্দ্বিতাৰে উপ-সভাপতি পদত প্ৰদীপ বৰ্মন আৰু মহিলা সাংবাদিকৰ বাবে সংৰক্ষিত উপ-সভাপতি পদত ৰঞ্জিতা ৰাভা বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। উল্লেখ্য যে মঙলবাৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত বুধবাৰে নিৰ্বাচন পৰিচালনা সমিতিয়ে ভোটগণনা কৰি আনুষ্ঠানিকভাৱে ফলাফল ঘোষণা কৰে। এইবাৰ নিৰ্বাচনত সভাপতি পদৰ বাবে খগেন কলিতা আৰু ভুৱন চেতিয়া অৱতীৰ্ণ হৈছিল। আনহাতে, সাধাৰণ সম্পাদক পদত মহানন্দ কলিতা, অপূৰ্ব কাৰ্জি, জুনজ্যোতি দত্ত বৰা আৰু প্ৰাঞ্জল বৰুৱা অৱতীৰ্ণ হোৱাৰ লগতে সহকাৰী সাধাৰণ সম্পাদক পদত কে জামান চৌধুৰী আৰু চালম অৱতীৰ্ণ হৈছিল। আনহাতে, মহিলা সাংবাদিকৰ বাবে সংৰক্ষিত সহকাৰী সাধাৰণ সম্পাদক পদত পদ্মিনী হাজৰিকা আৰু ৰশ্মিৰেখা শইকীয়া অৱতীৰ্ণ হোৱাৰ লগতে কোষাধ্যক্ষ পদত হীৰকজ্যোতি টাইদ (কানু), কনক শইকীয়া আৰু ৰণ্ট নেওগ অৱতীৰ্ণ হৈছিল। একেদৰে সাংগঠনিক সম্পাদক পদত দীপাংকৰ কলিতা, হেমন্ত শৰ্মা আৰু নয়নজ্যোতি ভূঞা অৱতীৰ্ণ হোৱাৰ লগতে সাংস্কৃতিক সম্পাদক পদত মনুজ দুৱৰা আৰু সমীৰণ বৰঠাকুৰ অৱতীৰ্ণ হোৱাৰ উপৰি ক্ৰীড়া সম্পাদক পদত দীপাংকৰ দাস আৰু পীতাম্বৰ নেৱাৰ অৱতীৰ্ণ হৈছিল।

# কোকৰাঝাৰৰ ৰে'লপথত ভয়ংকৰ

লোক হতাহত হোৱা নাই। উল্লেখ্য যে বৈদ্যুতিক পৰিবাহী তাঁৰো ছিঙি যোৱাৰ বাবেই ঘটনাস্থলীৰ পৰা কিছু দূৰৈত মালবাহী ৰে'লখনো ৰৈ যায়। অৱশ্যে ৰে'ল বিভাগে যুদ্ধকালীন তৎপৰতাৰে ৰে'লপথ মেৰামতি কৰাত পুৱা ৯.৩০ মান বজাৰ পৰা ৰে'লৰ চলাচল পুনৰ স্বাভাৱিক হৈ পৰে। ইপিনে ঘটনা সংঘটিত হোৱাৰ পিছত আৰক্ষী আৰু ৰে'ল বিভাগৰ উচ্চপদস্থ বিষয়াসকল ঘটনাস্থলীত উপস্থিত হৈ চৰমজিন তদন্ত আৰম্ভ কৰে। বিটিআৰৰ আৰক্ষী মহাপৰিদৰ্শক বিবেকৰাজ সিং, কোকৰাঝাৰ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিং, ৰে'লৰে আৰক্ষী অধীক্ষক প্ৰাণজিৎ বৰা আদিকে ধৰি আৰক্ষীৰ বহু শীৰ্ষ আৰক্ষী বিষয়া ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে স্নিফাৰ ডগৰে তদন্ত আৰম্ভ কৰে। আনহাতে এই ঘটনাৰ পাছতে গুৱাহাটীৰ পৰা কোকৰাঝাৰত উপস্থিত হৈ ঘটনাস্থলী পৰিদৰ্শন কৰে আৰক্ষী সঞ্চালকপ্ৰধান হৰমিট সিঙে। কোকৰাঝাৰ জিলাৰ শিঙিমাৰীৰ ৰে'লৰে ট্ৰেকত সংঘটিত হোৱা ঘটনাস্থলী পৰিদৰ্শন কৰি আৰক্ষী সঞ্চালক প্ৰধান হৰমিট সিঙে চৰাইখোলাৰ সপ্তম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত উচ্চপদস্থ আৰক্ষী আৰু ৰে'লৰে বিষয়াৰ স'তে বৈঠকত বহে। এই বৈঠকত বিটিআৰৰ আইজিপি, কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষক, ৰে'লৰে আৰক্ষী অধীক্ষক, জিআৰপি, আৰপিএফৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ মাজতে সংবাদ মাধ্যমৰ আগত আৰক্ষী সঞ্চালক প্ৰধান হৰমিট সিঙে চৰাইখোলাৰ সপ্তম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত উচ্চপদস্থ আৰক্ষী আৰু ৰে'লৰে বিষয়াৰ স'তে বৈঠকত বহে। এই বৈঠকত বিটিআৰৰ আইজিপি, কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষক, ৰে'লৰে আৰক্ষী অধীক্ষক, জিআৰপি, আৰপিএফৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# লণ্ডনত যুক্তৰাজ্য শাখা

থাকে। শঙ্কৰদেৱৰ দি ইউনিকনেচ অফ দিছ গ্ৰেটমেনৰ বিষয়বস্তু সন্দৰ্ভত ইংৰাজী আৰু অসমীয়া ভাষাৰ মিশ্ৰনত ময়ুৰ বৰাই বক্তব্য প্ৰদান কৰা লগতে কেবাটাও গীতেৰে গুৰুজনাৰ মহান ব্যক্তিত্বৰ কথা কয়। পাচঁশ বছৰৰ আগতেই গুৰুজনাই নাৰীৰ শক্তি, সকলো জীৱৰ সমান মূল্য, প্ৰকৃতিক শ্ৰদ্ধা কৰা, দাস প্ৰথা বিলিন কৰা আদি অসমৰ জনসাধাৰণক গীত নৃত্য, ভাওনা আদিৰ জৰিয়তে অবগত কৰি সমাজখনক সংশোধন কৰা বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে গীতুতপল্লা বৰদলৈয়ে এটা স্তুতিৰে জুবিন গাৰ্গৰ স্মৃতিচাৰণ কৰা লগতে পুষ্পা হাজৰিকাই জুবিন গাৰ্গ আৰু ডঃ লাহনৰ প্ৰতিছবিত বন্তি প্ৰজলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গীতা বৰুৱাই হিয়াৰ আমঠু জুবিনলৈ লিখা এটি স্বৰচিত কবিতা আবৃতি, লাহৰী বৰঠাকুৰে যুক্তৰাজ্য সাহিত্য সভাৰ আজীৱন সদস্য ডাঃ লাহন আৰু অলপতে পৰলোক হোৱা চাৰি গৰাকী প্ৰবাসী অসমীয়াৰ বিষয়ে দুষাৰ কয় উপস্থিত থকা সকলোৱে এক মিনিট মৌনতাৰে আত্মাৰ চিৰ শান্তি কামনা কৰে জাহ্নবী গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত অঞ্জীৱ ৰাজখোৱাই "ব্ৰহ্মা আদি কৰি জীৱযত" গীতটোৰে শোক সভাৰ সামৰনি মাৰে। সাংস্কৃতিক সন্ধ্যা উপলক্ষে উন্মনা দাস, প্ৰীতম বৰা আৰু গৌৰী গোস্বামীয়ে এটি গোহাঁই নাচ, অন্যনা মহন্তৰ সত্ৰীয়া নাচ, ৰিম্বী চৌধুৰীৰ তবলা, ৰঞ্জীতা বৰা আৰু জোনাক প্ৰিয়া দাসৰ বৰগীতে সকলোকে মুগ্ধ কৰে। উল্লেখযোগ্য যে, যুক্তৰাজ্য শাখা সাহিত্য সভাই বিভিন্ন সময়ত প্ৰবাসী অসমীয়া সকলৰ তথা নৱ প্ৰজন্মৰ মাজত অসমীয়া ভাষা সাহিত্য কৃষ্টি সংস্কৃতিৰ চৰ্চা আৰু বিদেশী সকলৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰ কৰি অহাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

# জুবিনক্ষেত্ৰ পৰিদৰ্শনৰ

দিছে নীতি-নিয়ম তথা সময়সীমা। জুবিন গাৰ্গক ভাল পোৱাৰ নামত, জুবিন গাৰ্গৰ অনুগামী হোৱাৰ নামত সোণাপুৰৰ জুবিনক্ষেত্ৰত কোনোধৰণৰ ভণ্ডামি-উদ্ভণ্ডালি হ'ব নোৱাৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতে কামৰূপ মহানগৰ জিলা প্ৰশাসনে এখন এছঅ'পি জাৰি কৰি কেতবোৰ কঠোৰ নিৰ্দেশনা প্ৰকাশ কৰিছে। স্থানীয় জনসাধাৰণকে ধৰি বিভিন্ন দল-সংগঠনৰ সৈতে আলোচনাৰ অন্তত আৰু কমাৰকুছিৰ হাতীমুৰাত থকা কিংবদন্তি গায়কগৰাকীৰ শ্মশান ক্ষেত্ৰৰ পুণ্যতা আৰু পৱিত্ৰতা বজাই ৰখাৰ স্বাৰ্থত কামৰূপ মহানগৰ জিলাৰ জিলা দণ্ডাধীশ সুমিত সাত্তাৱনে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ তিনিদফীয়া নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি জুবিন ক্ষেত্ৰত পুৱা ৬ বজাৰ পৰা দৰ্শনাৰ্থীয়ে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। নিশা ১০ বজালৈকে জুবিন ক্ষেত্ৰ দৰ্শনাৰ্থীৰ বাবে খোলা থাকিব। নিশা ১০ বজাৰ পাছত কোনো দৰ্শনাৰ্থীকে জুবিন ক্ষেত্ৰত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া নহ'ব। জুবিন ক্ষেত্ৰত মদ্যপান বা আন কোনোধৰণৰ মাদকদ্ৰব্য সেৱন কৰি প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলিও মহানগৰ জিলা প্ৰশাসনে নিৰ্দেশনা প্ৰকাশ কৰিছে। জুবিন ক্ষেত্ৰৰ চৌহদৰ ভিতৰৰ লগতে শ্মশান ক্ষেত্ৰৰ ওচৰত তথা আশে-পাশে যিকোনোধৰণৰ মাদকদ্ৰব্য সেৱন বা বিতৰণ কঠোৰভাৱে নিষিদ্ধ কৰা হৈছে। এই নিৰ্দেশাৱলী তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'ব বুলিও উল্লেখ কৰি দিয়া হৈছে জাননীখনত।

# সিদ্ধাৰ্থ শৰ্মাৰ ঘনিষ্ঠ

যে অনা-অসমীয়া সিদ্ধাৰ্থ শৰ্মাই নিজৰ ফেচবুক পেজৰ পৰা কিদৰে অসমীয়াত পোষ্ট লিখিছিল সেই লৈ তদানীন্তন সময়ত ৰাজ্যব্যাপী ব্যাপক চৰ্চা চলিছিল। বৰপেটাৰ জীয়ৰী এইগৰাকী প্ৰতীক্ষা দাস সিদ্ধাৰ্থ শৰ্মাৰ ঘনিষ্ঠ তথা প্ৰেয়সী বুলি চৰ্চা চলাৰ লগতে প্ৰতীক্ষা দাসৰ জৰিয়তে সিদ্ধাৰ্থ শৰ্মাই ধনৰ ব্যাপক লেনদেন কৰিছিল বুলি চৰ্চা চলিছে। সম্প্ৰতি জু- ৰোডৰ এটা ঘৰত ভাৰাতীয়া হিচাপে থকা প্ৰতীক্ষা দাস দীৰ্ঘদিন ধৰি ভাৰাঘৰৰ পৰা অন্তৰ্ধান হৈ আছিল। বুধবাৰে এছআইটিয়ে প্ৰতীক্ষা দাসক দীৰ্ঘসময় সোধা-পোছা কৰে। ইফালে এছআইটিত নিজৰ সাক্ষ্য প্ৰদান কৰি আহি সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত দীপকেশ বৰগোহাঁই আৰু ঋষভ ভূঞাই জুবিন গাৰ্গৰ মৃত্যু ছিংগাপুৰলৈ যোৱা সহযোগীসকলৰ অৱহেলাৰ বাবেই হোৱা বুলি স্পষ্ট কৰি দিয়ে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত দীপকেশ বৰগোহাঁয়ে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ ব্যৱহাৰ সন্তোষজনক নহয় বুলিও মন্তব্য কৰে। এছআইটিয়ে জুবিনৰ মৃত্যুৰ ৰহস্য ভালদৰে অনুসন্ধান কৰি অসমৰ জনসাধাৰণৰ লগতে জুবিন অনুৰাগীক ন্যায় প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে ঋষভ ভূঞাৱে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ লগত বৃত্তিগত সম্পৰ্ক থকা বুলি মন্তব্য কৰি জুবিনৰ মৃত্যু সাগৰত সহযোগীসকলৰ অৱহেলাৰ বাবেই হোৱা যেন লাগে বুলি মন্তব্য কৰে। এছআইটিৰ তদন্ত নিৰপেক্ষ হ'ব লাগে বুলি মন্তব্য কৰি ঋষভ ভূঞাই জুবিন গাৰ্গক ন্যায় দিব বুলি আশা প্ৰকাশ কৰে।

# শুভমুক্তিৰ পূৰ্বেই

কৰিব বেলতালাৰ মেট্ৰি চিনেমাই। গুৱাহাটী মহানগৰীৰ উপৰি যোৰহাটৰ ইলি মাল্টিপ্লে', ইনক্স এবিএছ মল, ডিব্ৰুগড়ৰ গলেৰীয়া, তিনিচুকীয়াৰ গলেৰীয়া, ৰংঘৰ, তেজপুৰৰ এছভিএফ চিনেমা, টিএনজেড চিনেমা, আইএমপি চিনেমা, আনোৱাৰ ভিআৰএছ, শিৱসাগৰৰ ভটীয়াপাৰৰ ভাস্কৰজ্যোতি, ৰঙিয়াৰ ডিলাইট, মঙলদৈৰ ছুপাৰ মাৰ্কেটৰ ফান, ঢেঁকুৱাবাৰীৰ গ'ল্ড আদি চিত্ৰগৃহতো টিকটৰ অগ্ৰিম বুকিঙে অভিলেখ গঢ়িছে। অসমৰ প্ৰতিটো ছবিগৃহৰ লগতে অৰুণাচল, মেঘালয় আৰু মণিপুৰতো ছবিখনে মুক্তি লাভ কৰিব। লগতে মুম্বাই, কলকাতা, পুনে, কেৰালা আৰু হায়দৰাবাদতো 'ৰৈ ৰৈ বিনালে'ৰ মুক্তিৰ যো-জা চলি আছে। সেইদৰে অষ্ট্ৰেলিয়া, আমেৰিকা আৰু কানাডাত বৰ্তমানলৈকে ছবিখন মুক্তি দিয়াটো প্ৰায় নিশ্চিত হোৱা বুলি নিৰ্মাণৰ সৈতে জড়িত এক সূত্ৰই জানিবলৈ দিয়ে। মুক্তি দিয়াৰ পূৰ্বে সম্প্ৰতি পৰিচালক ৰাজেশ ভূঞাসহ মুম্বাইত ব্যস্ত হৈ আছে 'ৰৈ ৰৈ বিনালে'ৰ টীম। ডি আই, মিউজিক, মিক্সাৰ আৰু বেকগ্ৰাউণ্ডৰ কাম সম্পূৰ্ণ হৈছে। কেৱল ফাইনেল প্ৰিণ্টৰ বাবেহে মুম্বাই ব্যস্ত টীমটো।

# বিহালীত নিৰীহ

সুৰক্ষা, আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কৰ্মৰত আৰক্ষীয়ে যুৱকজনক খেদি খেদি মূৰ, পিঠিত আক্ৰমণ কৰি সাধাৰণ নাগৰিকৰ সন্মুখত বীৰত্ব জাহিৰ কৰে। এই ভিডিঅ'টো ভাইৰেল হোৱাৰ পিছতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সম্প্ৰতি বিহালীৰ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা ভিডিঅ'টোত প্ৰকাশ পোৱা আৰক্ষীৰ কাৰ্যত বিহালীৰ সকলো সমাজ সচেতন ৰাইজ স্তম্ভিত হৈ পৰিছে।

# এৰিয়ান '৮৬ৰ

তৃতীয় স্থান লাভ কৰে ক্ৰমে অসম জাতীয় বিদ্যালয়ৰ মেধাজ্যোতি নাথ, নীলাচল জাতীয় বিদ্যালয়ৰ দশিতা বণিক্য, আৰ্য বিদ্যাপীঠ উঃমাঃ আৰু বঃ বিদ্যালয়ৰ আলমিনা পাৰবিনে। উদ্দগণি বঁটা লাভ কৰে ক্ৰমে শংকৰদেৰ শিশু বিদ্যা নিকেতনৰ প্ৰিয়ংকা চৌধুৰী আৰু অসম জাতীয় বিদ্যালয়ৰ গুঞ্জন গীত পৰাশৰে। বিজয়ীসকলক নগদ ৫, ০০০ টকা, ৩, ০০০ টকা আৰু ২, ০০০ টকাৰ লগতে মানপত্ৰ, স্মাৰক, কিতাপৰ টোপোলা আৰু নাহৰৰ পুলি বঁটা হিচাপে আগবঢ়োৱা হয়।

# এছআইটিৰ মুৰব্বী

এছআইটিয়ে লাভ কৰিছে নেকি বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে হোটেলৰ চিচি টিভি ফুটেজ পৰীক্ষা আমি কৰিব নোৱাৰোঁ। ছিংগাপুৰ আৰক্ষীৰ দ্বাৰাহে সেইখিনি আমি পাম। তদুপৰি শিল্পীগৰাকীৰ অন্তিম সময়ত য়াটখনত থকা নাৱিক তথা চালকৰ ভাষ্য আৰু ছিংগাপুৰৰ আন কেইবাগৰাকী লোকৰ ভাষ্যও আমাক প্ৰয়োজন হ'ব। সেইখিনিও তেওঁলোকে আমাক যোগাৰ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। অহা ১০ দিনৰ ভিতৰতে এই সমগ্ৰ বিষয়টো সন্দৰ্ভত এটা ধনাত্মক সাঁহাৰি ছিংগাপুৰ আৰক্ষীয়ে আমাক দিয়াৰ প্ৰতিশ্ৰুতি দিছে। সংবাদ মেলত শিল্পী জুবিন গাৰ্গৰ দেহৰক্ষীদ্বয় ক্ৰমে নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্য সন্দৰ্ভতো মত প্ৰকাশ কৰে মুন্নাপ্ৰসাদ গুপ্তাই। মুন্নাপ্ৰসাদ গুপ্তাইকয় যে ব্যক্তিগত দেহৰক্ষী দুজনৰ বেংক একাউণ্টত যথেষ্ট ধনৰ লেনদেন পোৱা গৈছে। সেই ধন তেওঁলোকে আইনগতভাৱে অৰ্জন কৰা ধনৰ তুলনাত বহু বেছি। গতিকে দুৰ্নীতি প্ৰতিৰোধী আইনৰ অধীনত এয়া এটা অপৰাধ। আয়বহিৰ্ভূত সম্পত্তি সন্দৰ্ভত ধৃত দুয়োজনৰ ওপৰত চিএম ভিজিলেঞ্চৰ গোচৰ এটা ৰুজু কৰা হৈছে। এই সন্দৰ্ভত তদন্ত বৰ্তমানে চিএম ভিজিলেঞ্চে অব্যাহত ৰাখিছে। অসমৰ ৰাইজক তদন্তক লৈ বিশ্বাস ৰখাৰ আহ্বান জনাই তেওঁ কয় যে অসম আৰক্ষীৰ সমান্তৰালভাৱে ছিংগাপুৰ আৰক্ষীয়েও নিজাববীয়াকৈ এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। চিআইডিৰ ফালৰ পৰা তদন্ত ভালদৰে চলি আছে। আমি আশাবাদী যে সময়ত তদন্ত শেষ কৰিব পাৰিম। সংবাদ মেলত এছআইটিৰ মুৰব্বী গুপ্তাই ৰাইজৰ প্ৰতি আহ্বান জনাই কয় যে প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ ৬-৭ দিন আগতে ফোনযোগে হোৱা কথা-বতৰা বা মেছেজ আদি যদি কোনোবাৰ লগত আছে তেন্তে শীঘ্ৰেই এছআইটিক যোগাযোগ কৰিব লাগে। এনেধৰণৰ তথ্যবোৰে তদন্তক অধিক শক্তিশালী কৰি তুলিব বুলি মন্তব্য কৰি গুপ্তাই কয় যে এই তদন্তত গৰিমা শইকীয়া গাৰ্গৰো ভাষ্য লোৱাটো দৰকাৰ। তেওঁলোকৰ ভাষ্যৰ দৰকাৰ আছে। এতিয়ালৈকে ৭০জনৰো অধিক লোকক এছআইটিয়ে জেৰা চলাইছে। বিভিন্নজনৰ ভাষ্য সংগ্ৰহ কৰিছে। ভাৰতীয় ন্যায় সংহিতাৰ নিয়ম অনুসৰি আমি সময়ত চাৰ্জশীট দিবলৈ চেষ্টা কৰিম।

# চম্বল চলচ্চিত্ৰ মহোৎসৱত

পাৰ্থসাৰথি মহন্তই জুৰীৰ শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰিছে। যোৱা ১৪ অক্টোবৰত ডঃ পাৰ্থসাৰথি মহন্তলৈ আগবঢ়োৱা হৈছে এই সন্মান। ইয়াৰ পূৰ্বে যোৱা ছেপ্টেম্বৰত মুম্বাইত অনুষ্ঠিত উত্তৰ-পূব ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত উত্তৰ-পূবৰ বিশেষ শিতানত 'অনচুনী চিখেঁ' চুটি ছবিখনে 'শ্ৰেষ্ঠ পৰিচালক' আৰু 'শ্ৰেষ্ঠ চুটি ছবি' বঁটাৰ লগতে বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বাসে 'শ্ৰেষ্ঠ অভিনেত্ৰী'ৰ সন্মান অৰ্জন কৰিছিল। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহুকেইটা বঁটা লাভেৰে ইতিমধ্যে ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ গৌৰৱ কঢ়িয়াই অনা ডঃ মহন্তৰ এই চুটি ছবিখনে চেন্নাইত অনুষ্ঠিত "কল্লীউড আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ" ত 'শ্ৰেষ্ঠ এছিয়ান চুটি ছবি'ৰ সন্মান লাভ কৰাৰ উপৰি জয়পুৰ আন্তঃৰাষ্ট্ৰীয় চলিচ্চিত্ৰ মহোৎসৱ, দিল্লি চলচ্চিত্ৰ মহোৎসৱ আৰু কলকতাত অনুষ্ঠিত ইণ্ডিয়ান ইনডিপেণ্ডেন্ট চলচ্চিত্ৰ মহোৎসৱতো 'শ্ৰেষ্ঠ চুটি ছবি'ৰ বঁটা আজুৰি আনিবলৈ সক্ষম হৈছিল। আনহাতে, ১৯ সংখ্যক অযোধ্যা চলচ্চিত্ৰ মহোৎসৱত ছবিখনে লাভ কৰিছিল 'শ্ৰেষ্ঠ সামাজিক বাৰ্তাবাহী ছবি'ৰ সন্মান। এছিয়ান টেলেন্ট আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰু কান চলচ্চিত্ৰ মহোৎসৱৰ "মাৰ্চে ডু ফিল্ম" (অনলাইন শাখা)তো প্ৰদৰ্শিত হোৱা এই ছবিখনে বিশ্বৰ বিভিন্ন দেশৰ দৰ্শক-সমালোচকৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। উল্লেখ্য যে, খ্যাতনামা অভিনেত্ৰী সীমা বিশ্বাসে এককভাৱে অভিনয় কৰা এই ছবিখনৰ কাহিনী ডঃ পাৰ্থ সাৰথি মহন্তৰে এটি কবিতাৰ আধাৰত ৰচিত। এগৰাকী যুৱতীয়ে তেওঁৰ জন্মৰ পৰা প্ৰাপ্তবয়স্কলৈ সন্মুখীন হোৱা গভীৰ প্ৰত্যাহ্বান আৰু তেওঁৰ দুৰ্বিসহ জীৱনযাত্ৰাক শক্তিশালী ৰূপত যথোষিতভাৱে চিত্ৰায়িত কৰা এই ছবিখন প্ৰযোজনা কৰিছে মীনা মহন্ত আৰু ইন্দ্ৰাণী বৰুৱাই।

# শিলচৰত ছুপাৰ স্পেচিয়েলিটী

চিকিৎসা মহাবিদ্যালয়ৰ অন্যতম শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ উন্নয়নত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। তেওঁ কয় যে জাপান ইণ্টাৰনেচনেল কো-অ'পাৰেচন এজেন্সীৰ আৰ্থিক সহযোগিতাৰে 'আছাম হেল্থ ছিষ্টেম ষ্ট্ৰেনথেনিং প্ৰজেক্ট'ৰ অধীনত ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত অতিবিশেষ সেৱাযুক্ত (ছুপাৰস্পেচিয়েলিটী) চিকিৎসালয় নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে যাতে হৃদৰোগ, স্নায়ুৰোগৰ অস্ত্ৰোপচাৰকে ধৰি বহু জটিল ৰোগৰ চিকিৎসা সেৱা জনসাধাৰণক প্ৰদান কৰিব পৰা যায়। ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সদৰী কৰে যে শিলচৰস্থিত জিলা অসামৰিক চিকিৎসালয়খনকো পুনৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ বাবে প্ৰায় ১৫০ কোটি টকা ব্যয় হ'ব। শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত নিৰ্মাণৰত ৫০০খন বিছনাযুক্ত চিকিৎসালয়খন নিৰ্মাণৰ কাম চলিত বৰ্ষৰ শেষলৈ সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি তেওঁ শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ মূল ভৱনটো ভাঙি ১৫০০খন বিছনাযুক্ত এটা নতুন ভৱন নিৰ্মাণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে। তেওঁ কয় যে এই নতুন ভৱনটো নিৰ্মাণ হোৱাৰ পিছত শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ পুৰণি মূল ভৱনটো ভাঙি পেলোৱা হ'ব আৰু সমগ্ৰ চিকিৎসালয়খনে এটা ৰূপ লাভ কৰিব। তদুপৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৩, ৫০০ বিছনাযুক্ত নতুন ভৱন নিৰ্মাণৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি উল্লেখ কৰি ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে আজি বৰাক উপত্যকা ভ্ৰমণকালতে তেওঁ শিলচৰ চহৰৰ যান-জঁট দূৰ কৰাৰ অৰ্থে প্ৰায় ৬৫০ কোটি টকা ব্যয় সাপেক্ষে এখন উৰণ সেতু নিৰ্মাণ, মদুৰাঘাটত প্ৰায় ১০০ কোটি টকা ব্যয়েৰে এখন দলং নিৰ্মাণ, প্ৰায় ১৫০ কোটি টকা ব্যয়েৰে জিলা অসামৰিক চিকিৎসালয়খনৰ পুনৰ নিৰ্মাণৰ কথা ঘোষণা কৰাৰ উপৰি প্ৰায় ৩০০ কোটি টকা ব্যয়েৰে শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত নতুন ছুপাৰ স্পেচিয়েলিটী হাস্পতাল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছে। ইয়াৰ জৰিয়তে অকল শিলচৰ চহৰেই এদিনতে প্ৰায় ১ হাজাৰ কোটি টকাৰ আন্তঃগাঁথনিমূলক প্ৰকল্প লাভ কৰিবলৈ সক্ষম হৈছে বুলি তেওঁ কয়। এই সভাত অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্য আৰু কনাদ পুৰকায়স্থ, বিধায়ক দীপায়ন চক্ৰবৰ্তী, মিহিৰকান্তি সোম, নিহাৰৰঞ্জন দাস, কমলাক্ষ দে' পুৰকায়স্থৰ উপৰি চিকিৎসা শিক্ষা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব ডঃ সিদ্ধাৰ্থ সিং, শিলচৰ মেডিকেল কলেজ এণ্ড হাস্পতালৰ অধ্যক্ষ, প্ৰফেছৰ দেৱব্ৰত সিন্হা, কাছাৰ জিলাৰ আয়ুক্ত মৃদুল যাদৱ প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# বৰপেটাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ

বান্ধৱী আৰু মাক। তেওঁৰ বান্ধৱী আৰু বান্ধৱীৰ মাকগৰাকীয়ে চিঞৰ-বাখৰ কৰাত ওচৰৰ লোক দৌৰি যায়। পত্নী-কন্যাক দা, কুঠাৰেৰে উপৰ্য্যুপৰি ঘপিওৱাৰ পিছত ঋষভে চিঞৰ-বাখৰ কৰা হিয়াৰ বান্ধৱী আৰু মাকক আক্ৰমণ কৰিবলৈ চোঁচা লয়। পিছত তেওঁলোকে দৌৰিহে প্ৰাণৰক্ষা কৰে। এনে ঘটনাৰ পিছতে স্থানীয় লোকে সেই স্থানত উপস্থিত হয় আৰু তেজেৰে লুতুৰি হৈ পৰি থকা অৱস্থাত বিনীতা আৰু হিয়াক দেখিবলৈ পায়। স্থানীয় লোকে খবৰ দিয়াৰ কিছু সময় পিছতে বৰপেটাৰ তদানীন্তন আৰক্ষী অধীক্ষক অমিতাভ সিন্হাৰ নেতৃত্বত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃত অৱস্থাত বিনীতা আৰু হিয়াক দেখিবলৈ পায়। পিছত আৰক্ষীয়ে ঋষভক গ্ৰেপ্তাৰ কৰি বৰপেটা সদৰ থানালৈ লৈ যায়। ঘটনা সন্দৰ্ভত পত্নী বিনীতা দাসৰ পৰিয়ালে পিছদিনা বৰপেটা সদৰ থানাত এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিতে বৰপেটা আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাৰ অধীনত ১৫৪৮/২৩ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। পিছত তদন্তকাৰী আৰক্ষী বিষয়াই ১৬৪নং ফৌজদাৰী বিধিৰ অধীনত চচ্চগৰাকী লোকৰ সাক্ষ্যগ্ৰহণ কৰে। বৰপেটা আৰক্ষীয়ে এবছৰৰ ভিতৰত তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি ২০২৪ চনৰ ১ ছেপ্টেম্বৰত বৰপেটাৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। আৰক্ষীয়ে দাখিল কৰা এই অভিযোগনামাৰ ভিত্তিতে আদালতে ৬২/২০২৪ নম্বৰত ৩০২ ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰি বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। এটা বছৰ বিচাৰ প্ৰক্ৰিয়া চলাৰ পিছত বুধবাৰে বৰপেটা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে ঋষভ দাসক দোষী সাব্যস্ত কৰে আৰু হত্যাৰ অপৰাধত তেওঁক মৃত্যুদণ্ডৰ ৰায় প্ৰদান কৰে। উল্লেখ্য যে বৰপেটাত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালত স্থাপন হোৱাৰ পিছত এই প্ৰথমবাৰ হত্যাকাৰীক ফাঁচিৰ হুকুম প্ৰদান কৰা হয়।

## ENGLISH NEWS SECTION

# Governor adopts 100 TB patients under Ni-kshay mitra initiative




Guwahati,RB News: In an important step towards eliciting community support towards realizing the vision of a TB-free India, Assam Governor Shri Lakshman Prasad Acharya today adopted 100 tuberculosis (TB) patients from Kamrup Metro and Nagaon districts under the Ni-kshay Mitra initiative of the National Tuberculosis Elimination Program (NTEP) at a simple programme held at Raj Bhavan here. It may be noted that the Governor made this announcement during a ceremonial programme held at Raj Bhavan, Guwahati, where the Governor also distributed food baskets to five TB patients and felicitated five Ni-kshay Mitras and five TB Champions in recognition of their respective role towards fighting against tuberculosis. Highlighting the importance of community participation in health initiatives, Governor Shri Acharya stated that tuberculosis remains one of the most pressing public health challenges in the country. However, through collective efforts, fellow-feeling, and sustained community engagement, the goal of eliminating TB is within reach. He described the adoption of 100 TB patients as both a personal responsibility and commitment, underscoring that eliminating TB requires not just medical care but also social and emotional support. Hailing Prime Minister Shri Narendra Modi who has transformed the national TB elimination campaign into a Jan Andolan, Shri Acharya reiterated the need of large scale community participation to eradicate the scourge of TB. The Governor also acknowledged the progress made by Assam in the fight against TB. He noted that the state's TB testing rate has increased significantly from 842 per lakh population in 2022 to 2,915 per lakh population, enabling timely diagnosis and early intervention. With a 90 per cent success rate in treatment, Assam is setting a benchmark in TB care and control. The Governor moreover, said that the integration of AI-based tools such as Prediction of Adverse TB Outcomes (PATO) is further enhancing early prediction of complications and thus improving patient outcomes.

## Virat Kohli overtakes Sachin to score most runs in white-ball cricket



RB News: India batter Virat Kohli on Saturday created history by overtaking Sachin Tendulkar to score most runs in white-ball cricket. Kohli has scored 18,443 runs in white-ball (ODI and T201) cricket. Sachin Tendulkar scored 18,436 runs in white-ball cricket. Kohli scored an unbeaten 74*(81) in third ODI against Australia in Sydney on Saturday.

## Messi's Argentina football friendly in Kerala postponed




RB News: Lionel Messi and the Argentina football team's visit to Kerala next month for a friendly match has been postponed, the event's sponsor announced on Saturday. Originally scheduled for November 17 at the Jawaharlal Nehru Stadium, the game will now take place during FIFA's upcoming international match window, as announced on social media by Anto Augustine, managing director of Reporter Broadcasting Company, the sponsor of the friendly game.

## Australia defeated South Africa by seven wickets in Women's CWC25



RB News: On Saturday, October 25, Australia thumped South Africa by seven wickets in a one-sided contest at the ICC Women's CWC 2025. Alana King picked up the best bowling figures (7-2-18-7) in tournament history, to help bowl out South Africa for just 97 runs before the Australian batting lineup chased the runs down in just 16.5 overs.

## Veteran actor Satish Shah passes away at 74



RB News: Veteran Bollywood and TV actor Satish Shah has passed away. Satish Shah, known for his roles in TV shows like 'Sarabhai Vs Sarabhahi', and films such as 'Jaane Bh Do Yaar', 'Main Hoon Na' and more, has passed away at 74. As per the report, the actor was battling kidney-related issues. The news of his demise was confirmed by veteran filmmaker Ashoke Pandit. Shah was reportedly battling kidney-related issues.

## Pakistan pulls out from Men's Hockey Junior World Cup



RB News: Pakistan have withdrawn from Men's Junior Hockey World Cup scheduled to be held in India in November-December. The FIH said that Pakistan's replacement team for the event from November 28 to December 28, in Chennai and Madurai, will be announced soon.Pakistan were placed in Group B alongside India, Chile, and Switzerland. Pakistan had earlier pulled out of Men's Asia Cup in August.

## India qualifies for Women's World Cup semifinals



RB News: India defeated New Zealand by 53 runs (DLS method) on Thursday to reach Women's World Cup 2025 semi-finals. It's the sixth time that India have reached semi-finals in tournament history. It was a complete team effort from the Women in Blue as all the bowlers chipped in with crucial wickets to restrict New Zealand to 271/8 in 44 overs while chasing a revised target of 325. Renuka Singh (2/25) and Kranti Goud (2/48) were the leading wicket takers of the match for India. Earlier, India put up a commanding 340/3 in 49 overs against New Zealand.

# মানিলে ধান নামানিলে পতান

ঃ বাট-পথ ভাল নহয় ভোকে পিয়াহে ইমান কষ্ট কৰি সন্তানটোক কোলাত লৈ থাকোঁতে মনত লৈ যোৱা বিশ্বাসখিনি নিমিষতে পানী হৈ পৰিল ৰমাৰ। অজানিতে ৰমাৰ মুখৰ পৰা ওলাই গ'ল...। “কি পঢ়াৰ কথা কয় হে? আজিলৈ খোজো কাঢ়িব নোৱাৰে মুখৰ মাতো ওলোৱা নাই”। সন্তানটি জন্মগত ভাৱে “চেৰিব্ৰেল পালচিত” আক্ৰন্ত হৈ শাৰীৰিক, মানসিক ভাৰসাম্য হেৰুৱাইছে। চেন্নাই, দিল্লী অসমৰ বাহিৰত চিকিৎসা কৰি কোনো সুফল নেপালোঁ। যোনে যি কয় তাকেই কৰিছোঁ ...! কিন্তু একো উপাই বিচাৰি নাপায়হে আপোনাৰ ওচৰত আহিছোঁ।

ঃ সাধক মহিলা গৰাকী থতমত খাই উঠিল পিছফালে মূৰটো ঘুৰাই কথাৰ সুৰ সলনি কৰিলে, বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়ালে..।

ঃ ৰমাই বিষাদ মনেৰে ঘৰটোৰ পৰা ওলাই বাহিৰত বহিল। মহিলা এগৰাকীয়ে ক'লে-এয়া তৃতীয় বাৰৰ বাবে আহিছো, প্ৰথম বাৰতে ভাল নহয়। এনেদৰে বহুতৰ বহু মন্তব্য শুনিলে। তাই ভাবিলে ইমান সহজ সৰল গাঁওৰ মানুহবোৰ!!

ঃ হঠাতে চিঞৰি উঠিল মহিলা সাধক গৰাকীয়ে “বিশ্বাস নাই যদি মোৰ ওচৰলৈ কিয় আহিছ? এতিয়াই যোৱা, তহঁতৰ ইয়াত কোনো কাম নহ'ব”!

ঃ ৰমাৰ গিৰিয়েকৰ নাম লৈ ঘৰটোৰ ভিতৰৰ পৰা তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে। ৰমাৰ ভয় লাগিল ভিতৰলৈ পুনঃ সোমাই গৈ কাকূতি-মিনতি কৰিবলৈ ধৰিলে। মহিলা সাধক গৰাকীৰ পিছফালে বহি থকা গিৰীয়েকৰ পৰা এটা তাবিজ কিনি ওলাই আহিল! ঘৰলৈ উভতি আহোঁতে ভাবি অহিলে...এই যে তাইৰ কথাত সন্তুষ্ট হোৱা নাই, সাধক গৰাকীয়ে কেনেকৈ জানিলে! নিশ্চয় মানুহৰ মাজত ঘুৰি থকা সিহঁতৰ কোনোবা সহচৰৰ পৰা গম পাইছিল লগতে বিশ্বাস জন্মোৱাৰ বাবে এখন নাটক।

“মানিলে ধান নামানিলে পতান” বুলি এষাৰ কথা আছে- গাঁওৰ এচাম লোকে এনেদৰে যাপ, তাবিজ আদিৰ দ্বাৰা চিকিৎসা লৈ আৰোগ্য হয় বুলি বিশ্বাস কৰি আহিছে আৰু আহি থাকিব...! কিন্তু অন্ধবিশ্বাসৰ এই জয়যাত্ৰা শেষ হ'ব নে? এগৰাকী বিশেষভাৱে সক্ষম সন্তানৰ মাতৃৰ প্ৰশ্ন..!




ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286